

শ্ৰীদেৱেশ্বৰ গোস্বামী



শ্ৰীখগেন বায়ন



শ্ৰীৰমানন্দ মহন্ত




শ্ৰীৰমাকান্ত দাস



শ্ৰীসৰ্বেশ্বৰ মহন্ত




শ্ৰীউপেন বৰকাকতি



শ্ৰীধনীৰাম কলিতা



অধ্যাপিকা ভুবনেশ্বৰী বৈশ্য
কল্পনাৰায়ণ মজুমদাৰ নৃতত্ত্ব
ভৱনৰ দাতা



শ্ৰীমুনিন্দ্ৰ কলিতা

# নীৰৱ সমাজকৰ্মী এজনৰ সোঁৱৰণত

কৰ্ণভূষণ ৰাভা
প্ৰাক্তন ছাত্ৰ

মানুহজনৰ নাম আহাৰু। হয়তো আহাৰ মাহত জন্ম পাইছিল। কাৰণ আমাৰ সমাজত আগতে মাহ, বাৰ, পক্ষ আদিৰ নামেৰে ল'ৰা-ছোৱালীৰ নামকৰণ কৰিছিল। যেনে- বহাগু, জেঠুৱা, শাওণা, সোমবৰু, মঙ্গলু, বধুৰাম, বিষ্টু, শুক্ৰেশ্বৰ আৰু কোনোবা সৰিয়হ ফুলাৰ বতৰত জন্ম যদি পায় নাম হ'ব বেহাৰু, কঠালৰ বতৰত হ'লে কঠালু ইত্যাদি। সি যিকি নহওক আহাৰু মানুহজন আছিল ব্যতিক্ৰম চৰিত্ৰৰ। নিচেই সৰুতে মহামাৰী ৰোগত অগাপিছাকৈ মাক-বাপেক দুয়ো ঢুকাল। আগলৈ নাই পিছলৈ নাই, ঘাট মাউৰা আহাৰুক ওচৰ-চুবুৰীয়াই ডাঙৰ-দীঘল কৰিলে। আনৰ ঘৰত গৰু চৰাই, খৰি লুৰি ডাঙৰ-দীঘল হ'ল। অলপ বুজা হোৱাৰ পিছত পৈতৃক ভেটিত থকাৰ কথা চিন্তা কৰিলে। ভেটি-মাটি আছিল দুবিঘা আৰু খেতি উপযোগী মাটি আছিল দুবিঘা। পৈতৃক ভেটিত নিগাজিকৈ থকা ইচ্ছা গাঁৱৰ মুখিয়াল লোকজনক কোৱাত গঞা ৰাইজে বাঁহ খেৰেৰে এটি পঁজা সাজি দিলে আৰু তাতেই আহাৰু থাকিবলৈ ল'লে।

বাৰীখনৰ এবিঘামান মাটিত বাপেকৰ দিনৰ পৰা থকা বিভিন্ন গছ-গছনিৰ লগতে নিজে নতুনকৈ তামোল পাণ, কল ইত্যাদি ৰুলে আৰু খেতি মাটিডৰা আধিলৈ দি; ওচৰ-চুবুৰীয়াৰ বিভিন্ন কামত সহায় কৰিবলৈ লাগিল। মানুহজনে যেতিয়া যাৰ ঘৰত কাম কৰে তাতেই খাই লৈ আহে আৰু পঁজাটোত শুই থাকে। কিন্তু কামৰ বিনিময়ত টকা-পইছা নলয়। সন্ধিয়া পৰত যি কেইঘৰ লোকৰ ল'ৰা ছোৱালী পঢ়া-শুনা কৰে সেই কেইঘৰত সন্ধিয়া যাবই। তাত গৈ সিঁহতে পঢ়াবোৰ শুনি থাকে। এইদৰে থাকিয়েই পঢ়াবোৰ মুখস্থ হৈ যায়। সি পঢ়া বা লিখাবোৰ ইমান মনোযোগ দিয়ে যে অতি কম দিনৰ ভিতৰতে আখৰবোৰ পঢ়িব আৰু লিখিবও জনা হ'ল। এইদৰে নিজৰ নামটোও লাহে লাহে লিখিবলৈ জনা হ'ল। স্কুল বন্ধ থাকিলে সুবিধা বুজি কাৰোবাৰ কিতাপ এখন খুজি পঢ়িবলৈ চেষ্টা কৰে। এনেদৰে চেষ্টাৰ ফলত পঢ়িব জনা হ'ল, সেইদৰে নেওঁতাখনো পঢ়িব পৰা হ'ল। এটা সময়ত যোগ-বিয়োগ অংকও শিকি ল'লে। এইদৰে শৈশৱকাল পাৰ হ'ল আৰু দায়িত্ববোৰ বুজা হ'ল। কিন্তু মাক-বাপেক নোহোৱা বাবে শৃংখলাবদ্ধভাৱে জীৱনত পঢ়া কথা শিকিব নোৱাৰিলে। এনেয়ে ঘূৰি নুফুৰি কাম কৰিব লাগে আৰু দুবেলা দুসাজ খাব লাগে -সেইটো বেছিকৈ শিকিলে। চুবুৰিটোৰ কাৰোবাৰ কাম আছে; কাৰোবাৰ নৰিয়া, বেজ বিচাৰি যোৱা, ঔষধ আনিব যোৱা, বেজজনক আকৌ ঘৰত থৈ অহা এইবোৰত আহাৰু কেতিয়াও হেলা নকৰে।

আহাৰু ডেকা হ'ল, দায়িত্বও বাঢ়িল। বাৰীৰ তামোল, পাণ, হাঁহ, কুকুৰা বেচি বেচি অলপ টকা জমা হৈছে, ভাবিলে এখন চাইকেল কিনা যাওক; ইফালে যোৱাত সহজ হ'ব আৰু সমূহক বেছি সহায় কৰিব পাৰিব। এইবোৰ ভাবি চিন্তি এখন হাৰকিউলিছ চাইকেল একুৰি দহ টকাত কিনিলে। ইয়াৰ পিছত আহাৰুক আৰু কোনে পায়; সকাম নিকাম বাঢ়িল, দায়িত্বও বাঢ়িল। ইতিমধ্যে আহাৰুতকৈ ডাঙৰ সকলে বিয়াবাৰু কৰালে। তেওঁলোকৰ ল'ৰা-ছোৱালী হ'ল। সিহঁতে আহাৰু খুৰা বুলি মাতিব পৰা হ'ল, এইদৰে চুবুৰীটোৰ সকলো ল'ৰা-ছোৱালী কেবল আহাৰু খুৰা। কোনোবাই যদি অইন সম্বন্ধৰে মাতিব লাগে কোনেও নামাতে কেৱল খুৰা, অকল চুবুৰীটোৰে নহয়, গোটেই গাওঁখনৰে আহাৰু খুড়া হ'ল। কেতিয়াবা ভাত ৰান্ধি দিয়ে, কোনোবা ল'ৰা-ছোৱালীৰ যদি সাধাৰণ গাটো বেয়া লাগে, লগে লগে বিচাৰিব আহাৰু খুৰাক, খুৰায়ো খবৰ পোৱা মাত্ৰকে ভাত আধা-সিজা কৰিয়ে আখলৰ পৰা নমাই থৈ ভতিজাকৰ চেনেহত গুছি যাবলগীয়া হয়; বহুদিন ৰন্ধা ভাত ৰন্ধাই থাকে পিছত পেলাই দিবলগীয়া হয়। এনেকুৱা হ'ল যে সবাহ পূজা চাবলৈ ভতিজাহঁতক আহাৰুহে নিব লাগে। আহাৰু খুৰাও উৎসৱে, পৰ্বই গাঁৱৰ সকলো ল'ৰা-ছোৱালীক একগোট কৰি একেলগে লৈ যায় আৰু ঘূৰি আহি এফালৰ পৰা প্ৰতি ঘৰতেই এটি এটি কৈ সুমুৱাই থৈ যায়।

ভতিজাহঁত লাহে লাহে স্কুললৈ যাব ধৰিলে আহাৰুৰ সেইফালে দায়িত্ব কমিল, কিন্তু দায়িত্ব বাঢ়িল সমাজৰ; গিয়াতিৰ

মিটিং মাতিব লাগে আহাৰু, গঞ্চাৰ মিটিং আৰু যা-যোগাৰ কৰিব লাগে আহাৰু; এইদৰে খুড়াৰ ৰেহাই নাই। প্ৰায়ে ৰাতিপুৱাই ভাতকেইটা ৰান্ধি খাই তলত পৰা চুৰিয়াখন আৰু চোলাটো পিন্ধি ডিঙিত এখন সৰু গামোছা মেৰিয়াই সেই পুৰণি চাইকেলখন লৈ প্ৰায়েই যায়। কেতিয়াবা ক'তো যাবলগীয়া নাথাকিলে খুড়াই নিজৰ কানি-কাপোৰবোৰ ধোৱে আৰু কাৰোবাৰ কাম থাকিলে সহায় কৰে; নহ'লে ভতিজাকসকলৰ খবৰ লয়। কাপোৰ-কানিবোৰ ধোৱা বা শুকাবলৈ দিয়া দেখিলে আমি জানো যে আজি খুড়াৰ কতো যাবলগীয়া নাই, আমি তেতিয়া তেওঁৰ পঁজাটোলৈ যাঁও আৰু বিভিন্ন কথা সুধি বিৰক্তি দিওঁ। সকলো কথা পৰা পক্ষত বুজাই দিছিল, কেতিয়া কিবা কথা নাজানিলে পিছত কাৰোবাৰ পৰা জানি আহি ভতিজাকসকলক বুজাই দিছিল। আহাৰু খুড়াই যেতিয়া চাইকেলখন লৈ সভা-সমিতিলৈ ওলাই যায় আমি প্ৰায় ৰাস্তাত লগ পাইছিলোঁ। ভতিজাকসকলোক দেখিলেই দূৰতেই চাইকেলৰ টিলিঙা দীঘলীয়াকৈ বজাই দিছিল, আমি শুনিয়েই বুজি পাওঁ সেইজন কোনো নহয় আহাৰু খুড়াহে। যদি আমি স্কুললৈ গৈ থাকো খুৱাই চাইকেল চলায় গৈ থাকিয়েই কৈ কৈ গৈ থাকিব স্কুললৈ ভালকৈ যাবি, চুটি হ'লেই ঘৰলৈ আহিবি, ৰাস্তাত পলম নকৰিবি। বন্ধৰ দিনত যদি ৰাষ্টাত খেলি থাকোঁ, তেতিয়া ক'ব, ভালকৈ খেলি থাক, কাজিয়া কোনেও নকৰিবি, আমিও খুড়াক সোধো ক'লৈ যাবি, কিমান সময়ত ঘুৰিবি ইত্যাদি ইত্যাদি——। কিন্তু খুৱাই, কৈ কৈ গৈ থাকিব ৰ'বলৈ সময় নাই। তেওঁ কৈ কৈ গৈয়ে আছে, আমি কিন্তু শুনাই যে নাই সেইলৈ তেওঁৰ ভ্ৰুক্ষেপেই নাই। মানুহজনৰ মুখত ইমান ফকৰা-যোজনা, আপ্তবাক্য ওলায় যে প্ৰতিটো কথাতেই ফকৰা-যোজনা বা আপ্তবাক্যৰ দ্বাৰাহে আৰম্ভ, নহ'লে শেষ। আহাৰু খুড়া যদিও সমাজৰ বিভিন্ন সভা সমিতিবোৰত জৰিত আছিল, কোনোদিনেই পদবীত বা কোনো বাবদ থকা নাছিল। পদবীলৈ তেওঁৰ বৰ ভয়, পদবী দিয়াৰ সম্ভাৱনা থাকিলে বা আলোচনা কৰিলেই সভাত উপস্থিত নাথাকে, নাই বা লাহেকৈ আতৰি যায়। সভাত উপস্থিত নাথাকিলেও আহাৰুক কমিতিত ৰাখিবই, কাৰণ কাম-কাজ বা ক'ৰবালৈ যাবলগীয়া হ'লে সদায় আগত। আহাৰুৰ বাহিৰে হাতে-কামে আগৰণুৱা ব্যক্তি এই সমিতিত বেলেগ আৰু কোনো সদস্য নাই। গতিকে সমিতিত এইদৰে কৰা কামকাজৰ দ্বাৰা আহাৰু খুড়াক অঞ্চলৰ সকলোৱে চিনিপোৱা হ'ল, বিশেষকৈ সমাজিক ব্যক্তি সকলে। এদিন খুড়াই চুৰিয়াখন অলপ বেছি দীঘলীয়াকৈ পিন্ধি ডিঙিত গামোচাখনৰ উপৰিও গাত তেওঁৰ পুৰণা এৰিচাদৰখন মেৰিয়াই লৈছে। আমি সকলোৱে ভাবিলো আজি খুড়াৰ গমন বেলেগ। ওচৰ আহি পালত আমি সুধিলো আজি খুড়া ক'লৈ যাবি- "হাত খোলালৈ যাম, তাত শৰ্মা বাবু, দাস বাবু আৰু কোনোবা কোনোবা আহিব মোক তালৈ যাব দিছে," দীঘলকৈ টিলিঙা বজাই খুড়া আগবাঢ়িল, যাঁওতে কৈ কৈ গৈ থাকিল 'অবাটে বাট হব, হাবি গুছি ফুলবাৰী হ'ব' ইত্যাদি ইত্যাদি আমি একো বুজিকেই নাপালোঁ। কেইদিনমান খুড়াক পুৱাই কেইটামান ভাত খাই সেই একে সাজত যোৱা দেখি আছোঁ, পুৱাই গৈ সন্ধ্যা পৰতহে ঘৰলৈ ঘূৰে। ভতিজাসকলে এদিন আলোচনা কৰিলোঁ, অহাকালি পুৱাই ওলাম খুড়া ক'ত গৈ আছে সুধিম, ভালদৰে জানি লম। কথামতে কাম পিছদিনা পুৱাই ভতিজাকসকলে ৰৈ আছো তিনিআলিত, অলপ পিছত দীঘল টিলিঙা বজাই খুড়া আহি আছে, গোটেইমখা ৰাস্তাত খুড়া 'ৰ' চোন ৰ' '। উপায় নাই ভতিজাসকলে চাইকেলখনৰ চাৰিওফালে ধৰিলে যেতিয়া নামিব বাধ্য হ'ল। সচৰাচৰ খুড়াই যাত্ৰা কৰি চাইকেলত উঠাৰ পিছত বিশেষ ব্যক্তি লগ নাপালে লক্ষ্যস্থান নোপোৱালৈকে চাইকেলৰ পৰা নানামে। যিয়েই নহওঁক খুড়া চাইকেলৰ পৰা নমাৰ লগে লগে এই কেইদিন ক'লৈ গৈ আছে-"বকোত এখন কলেজ হ'ব, তাৰ কাৰণে গাঁৱে গাঁৱে ধান তুলি আছোঁ, বকোৰ পৰা শৰ্মা বাব, দাস বাবু আৰু কোনোবা কোনোবা আহে আৰু ইয়াৰে দুই চাৰিজন হাতখোলাত লগহে গাঁওবিলাকত ঘূৰি আছে। একডোণ, দুইডোণ একটোপা যি দিয়ে (আগৰ হিচাপ) লৈ এঘৰত জমা কৰোঁ, পিছত পেৰাৰ গাড়ীত (মহৰ গাড়ী) উঠাই একেলগে লৈ যাব। আমি তেতিয়া তেনেই সৰু আছিলে, মোৰ নিচিনা যিসকলে সৰু আছিলে, প্ৰশ্ন কৰিলোঁ 'খুড়া, কলেজ হ'লে কি হ'ব? তাত কি কৰিব? কেনেকৈ কৰিব? বস্তুটো কি' ইত্যাদি। ডাঙৰ এজন ভতিজাই ক'লে - খুড়া তই দেখোন বিয়াই কৰোৱা নাই, তোৰ কোনে কলেজত পঢ়িব? খুড়াই ধমকিৰ সুৰত কৈ গ'ল- "বেটা, তহঁত পঢ়িব লাগিব, তহঁত তাত পঢ়ি ডাঙৰ মানুহ হ'ব লাগিব।" এইদৰে টিলিঙা বজাই খুড়া গুছি গ'ল। খুড়াযোৱাৰ পিছত ভতিজাহ'তে কিবা কিবি আলোচনা কৰি স্কুললৈ যোৱাৰ বাবে সাজু হ'বলৈ ঘৰা ঘৰি গলোঁ। প্ৰায় পোন্ধৰ দিনমান যোৱাৰ পিছত এদিন খুড়াই ঘৰত থিতাপি লোৱাত গম পালোঁ এই অঞ্চলত ছান্দাতোলা হ'ল। বকোত কলেজ পূৰ্ণাঙ্গ হ'ল; তাৰ পিছতো আহাৰু খুড়াই দূৰৰ পৰাই

বিভিন্নজনৰ পৰা খবৰ খাতি লৈ কেতিয়াবা কেতিয়াবা আমাক সাধু কোৱাৰ দৰে কৈছিল।

হাইস্কুল পাছ কৰি কলেজত নাম লগালোঁ, তেতিয়াহে ভাবিবলৈ ধৰিলোঁ বকোঁত কলেজখন নহ'লে ভতিজাকসকলোৰ কিমান অসুবিধা হ'লহেতেন। তেওঁৰ দৰে স্কুলৰ মজিয়া গছকি নোপোৱা অশিক্ষিত লোক এজনে ভৱিষ্যত পুৰুষ সকলৰ বাবে কিমান ত্যাগ কৰিছিল। আহাৰু খুড়াৰ দৰে কিমান জনে এইদৰে ত্যাগ কৰি কলেজখন গঢ়াত মানুহৰ দৃষ্টিৰ আতৰত থাকি পৃষ্টিপোষকতাৰ তালিকাত নাম অন্তৰ্ভূক্ত নকৰাকৈ অহোপুৰুষাৰ্থ কৰিছিল তাৰ হিচাপ ল'বলৈ আজিৰ শিক্ষিত সমাজৰ আহৰি নাই।

সমাজৰ বিভিন্ন কামত লাগি থাকি আহাৰু খুড়াই সংসাৰ পতাৰ কথা চিন্তা হয়তো কৰিবই নোৱাৰিল। লাহে লাহে আহাৰু খুড়া 'ককা' হ'ল সমস্যা বেছি হ'ল পৰিয়াল ডাঙৰ হ'ল। ভতিজা সকলতকৈ নাতি-নাতিনীসকলে বেছিকৈ জুল আৰম্ভ কৰিবলৈ ধৰিলে। তথাপিতো প্ৰত্যুৎপন্নমতি খুড়াই বিভিন্ন চলাহি কথাৰে ফুচুলাই সমাজৰ কামবোৰ চলাই থাকিল। বয়স বাঢ়ি আহিল, সমাজৰ কামকাজ কিছু এৰাই চলিব ধৰিলে বিশেষকৈ দূৰৈৰ সভা সমিতিত প্ৰায় নোযোৱা হ'ল। ইফালে নাতি-নাতিনীহ'তো কিছু ডাঙৰ হ'ল, কেতিয়াবা গাটো বেয়া বুলি কোনোবা ভাত ৰান্ধি দিয়ে, কোনোৱে কাপোৰ কানি ধুই দিয়ে। আগৰ পৰাই ভতিজা সকলক কৈ আহিছিল- "গাঁওখনত স্কুল নাই, মই মৰিলে মোৰতো কোনো নাই, গতিকে মোৰ ভেটিটোতে তহঁতে এখন স্কুল পাতিবি। বাছাহঁতে ইমান দূৰত স্কুললৈ যাব লাগে, ইয়াত স্কুলখন হ'লে সকলোৱ পঢ়িব পাৰিব।" কিন্তু ভতিজাহঁতে আহাৰু খুড়া মৰাৰ কথা যেন ভাবিবই নোৱাৰে। কিন্তু সেয়া যে সত্য। আহাৰু খুড়া ঢুকাল, তেওঁৰ ইচ্ছামতে ৰাইজে ভেটিটোত এখন স্কুল স্থাপন কৰিলে। কিন্তু আজি যদি আহাৰু খুড়া জীয়াই থাকিলেহেতেন কলেজখনৰ সোণালী জয়ন্তী অনুষ্ঠিত কৰা খবৰ জানি কিমান আনন্দ পালেহেতেন। আহাৰু খাড়া আৰু তেওঁৰ দৰে অনাদৃত কলেজখন গঢ়া নীৰৱ সৈনিক সকলক আজি সোণালী জয়ন্তী বৰ্ষত সহস্ৰ সোণোৱালী সোঁৱৰণ। আজি ক'বৰ মন গৈছে-"আহাৰু খুড়া জিন্দাবাদ"।

# মহা বিদ্যালয়ৰ উন্নয়ন সম্পৰ্কে চিন্তাচৰ্চা আৰু শিক্ষামূলক ভ্ৰমণৰ বিষয়ে দুষাৰ

• শ্ৰীৰজিত বড়ো
প্ৰাঃ সাধাৰণ সম্পাদক
জে,এন,কলেজ, বকো

১৯৯৪-৯৫ ইং চন, সক্ৰিয় সংগঠন AASU ৰ উখল-মাখল পৰিৱেশ যিখিনি সময়ত বৰ্তমানৰ অন্য ছাত্ৰ সংগঠনৰ কোনো উমঘাম নাছিল । সেই সময়ত বকো AASU ৰ গোটে মোৰ বিপৰীতে এজন প্ৰাৰ্থী আগবঢ়াইছিল। কিন্তু মোৰ সু-ভাগ্য, মোক স্বৰ্গীয় মদন কাকতি ছাৰে বাৰে বাৰে সাহস আৰু পৰামৰ্শ দিয়াৰ লগতে বাকী ছাৰ বাইদেউ সকলেও সহায় কৰিছিল। তাৰে পৰিণতিত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ জৰিয়তে মোক সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্ব অৰ্পন কৰিছিল। মোৰ এবছৰীয়া কাৰ্যকালত অধ্যাপক-অধ্যাপিকা আৰু প্ৰবীন ছাত্ৰ-ছাত্ৰীৰ পৰা বিভিন্ন সময়ত পৰামৰ্শ লৈ নবীন ছাত্ৰ-ছাত্ৰীৰ মনৰ ভাৱৰ আৰু কথাৰ আদান প্ৰদানৰ জৰিয়তে বিভিন্ন সময়ৰ ছাত্ৰ-ছাত্ৰীৰ সকলো কাৰ্য্যসূচী সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ যিকোনো ক্ষেত্ৰত সমৰ্থ হৈছিলো। এই সফলতাৰ মূলতে অধ্যাপক-অধ্যাপিকা প্ৰবীন ছাত্ৰ-ছাত্ৰীৰ পৰামৰ্শ আৰু নবীন ছাত্ৰ-ছাত্ৰী সকলোৰে সহযোগিতা । ছাত্ৰ একতা সভাৰ সকলো প্ৰতিনিধিৰে সম্পূৰ্ণ নতুনকৈ ব্লেজাৰৰ ব্যৱস্থা কৰা হৈছিল যিটো পূৰ্বতেই নাছিল। ছাত্ৰ একতা সভাৰ প্ৰত্যেক বিভাগৰ প্ৰতিনিধিক নিৰ্দেশ দিয়া হৈছিল যে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত যিকোনো প্ৰতিযোগিতা অনুষ্ঠিত কৰা হব। খেল-ধেমালিৰ পৰা আৰম্ভ কৰি পিঠা প্ৰতিযোগিতা আৰু

সুন্দৰী প্ৰতিযোগিতালৈ যিকোনো বিভাগৰ এটাও প্ৰতিযোগিতা বাদ পৰা নাছিল। বৰঞ্চ অন্য বছৰৰ তুলনাত সেই বছৰটোত পুৰস্কাৰৰ তালিকাখন দীঘলীয়া হৈছিল। সেয়ে মই অধ্যক্ষ, শ্ৰীযুত যতীন্দ্ৰ নাথ দেৱৰ সৈতে তৰ্ক কৰিবলৈও বাধ্য হৈছিলো। কিন্তু মই তৰ্ক কৰি শান্তি পোৱা নাছিলো যদিও ঠিক সেই সময়তে দ্বিজেন দাস ছাৰে অধ্যক্ষৰ অফিচৰ কোঠাৰ ভিতৰলৈ গৈছিল আৰু মোক কিছু পৰামৰ্শ দিয়াত মই ছাৰক সন্মান দিও আৰু লগে লগে অধ্যক্ষ মহোদয়ক সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত মনোনিবেশ কৰিবলৈ অনুৰোধ জনাওঁ। শেষত অধ্যক্ষ মহোদয়ে সমস্যাটো সমস্যা কৰি নাৰাখি সমাগত আৰু অনাগত যিকোনো কামৰ ক্ষেত্ৰত সহায় কৰিছিল।

১। যিকোনো কাম কৰাৰ ক্ষেত্ৰত আমি সদায় আগ্ৰহী হৈ আগৰণুৱা হৈছিলো। তেতিয়া মহাবিদ্যালয়ৰ নতুনকৈ নিৰ্মাণ কৰিবলগীয়া প্ৰধান গেটৰ নমুনা অধ্যক্ষ মহোদয়ে আমাক অৱগত কৰিছিল লগতে গেটখনৰ নিৰ্মাণ কাৰ্য্যৰ বাবে খৰচৰ শিতানটোও আমাক জনাইছিল। কিন্তু সেই সময়ত গেটৰ খৰচৰ শিতানক মহাবিদ্যালয়ৰ বাজেটে স্পৰ্শই কৰিব পৰা নাছিল। ছাত্ৰ একতা সভাৰ আমি প্ৰতিনিধি সকলে বৰ্তমানৰ গেট খনৰ কাৰণে ইটা, বালি, শিল, ৰড সংগ্ৰহ কৰিছিলো। লগতে গেটৰ আধাৰ শিলা স্থাপন কৰে অধ্যক্ষ, শ্ৰীযুত যতীন্দ্ৰ নাথ দেৱৰ জৰিয়তে অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক প্ৰমূক্ষে প্ৰতিটো বিভাগৰ প্ৰতিনিধি সকলে ।

২। পূৰ্বতে পুথিভঁৰাল আছিল যদিও ধুমুহাই সংসাৰি ৰূপ লৈ ভাঙি চিঙি লৈ যোৱাৰ পিছত বৰ্তমানৰ ছাত্ৰীৰ হোষ্টেলৰ সন্মুখত থকা সৰু ঘৰটোতে অস্থায়ী ৰূপে পুথিভঁৰালৰ ব্যৱস্থা কৰিছিল। দূৰ্ভাগ্যবসতঃ পুঁথিভৰাল গৃহত বহুদীঘলীয়া সময় বিজুলীৰ ব্যৱস্থা নথকাত কৰ্মচাৰী, শ্ৰীগৌতম ৰাভা আৰু শ্ৰীভাৰত চৌধুৰী দেৱে মহাবিদ্যালয় কতৃপক্ষক সময়ে সময়ে আবেদন জনাই আহিছিল যদিও কোনো গুৰুত্ব নোপোৱাত সাধাৰণ সম্পাদক হিচাপে সময়ে সময়ে অৱগত কৰিছিল আৰু পিছত বামুনিগাঁওৰ কেম্পত থকা Electric Post Industry ৰ পৰা আমি ছাত্ৰ একতা সভাৰ প্ৰতিনিধি সকলে বিজুলীৰ চাৰিটা পকীখুটা বৰঙণি হিচাপে লৈ আহো যদিও কেইদিন মান পিছতে উক্ত খুটা কেইটা চুৰে চুৰিকৰি কলেজৰ পিছৰ খাৰৈত লুকুৱাই থৈ দিয়ে। সুভাগ্য ক্ৰমে খুটাকেইটা অনুসন্ধান কৰি দুমাহ পিছত পোৱা যায় আৰু আমি বকো উপ-সংমণ্ডলৰ S.D.O ক পুথিভঁৰালত বিজুলীবাতিৰ ব্যৱস্থা অতিশীঘ্ৰে কৰি দিয়াৰ বাবে বাৰে বাৰে অনুৰোধ জনোৱাত সম্ভৱ হৈ উঠে।

৩। শ্ৰীযুত প্ৰফুল্ল বড়ো তেতিয়া বকো আঞ্চলিক পঞ্চায়তৰ সভাপতি আছিল। অধ্যক্ষ, শ্ৰীযুত যতীন্দ্ৰ নাথ দেৱ আৰু মই দুয়োজনে বকো ব্লকলৈ গৈ সভাপতি মহোদয়ক D.R.D.A আচঁনিৰ জৰিয়তে আমাক এটি স্থায়ী শ্ৰেণীকোঠাৰ নিৰ্মাণৰ বাবে কিছু আৰ্থিক মঞ্জুৰি পোৱাৰ কাৰণে আবেদন কৰিছিলো। পিছত আবেদনৰ প্ৰতি সন্মান জনাই সভাপতি মহোদয়ৰ অহৰহ প্ৰচেষ্টাত ২,২৬,০০০ (দুই লাখ ছাব্বিশ হাজাৰ) টকা মঞ্জুৰি পোৱাৰ পিছত অধ্যাপক-অধ্যাপিকা কমন ৰূমৰ পিছফালৰ বৰ্তমানৰ শ্ৰেণীকোঠাটো সম্পূৰ্ণ হৈ উঠিছিল আৰু শ্ৰেণী সমূহৰ বাবে প্ৰযোজ্য হৈ উঠে।

**শিক্ষা মূলক ভ্ৰমণঃ**

১৯৯৬ ইং চনত প্ৰথম বাৰৰ বাবে দিল্লীলৈ এটি ২৪ জনীয়া গ্ৰুপক লৈ অসম হাউচত ড° কমলেশ্বৰ ঠাকুৰীয়া আৰু প্ৰাণেশ্বৰ নাথ দুয়োৰে সহযোগত ১৪ দিন থকাৰ সুবিধা অসম চৰকাৰৰ পৰা পোৱা হৈছিল। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ বিভিন্ন দলৰ লগত ১৯৯৭ ইং চনত কলিকতা আৰু ছিকিম, ১৯৯৮ ইং চনত ছিকিম আৰু দাৰ্জিলিং, ১৯৯৯ ইং চনত নেপাল, ২০০০ ইং চনত শিমলা, কুলু, মানালী, চণ্ডিগড়, ২০০২ ইং চনত ছিকিম আৰু দাৰ্জিলিংলৈ যোৱাৰ সুবিধা পাইছিলোঁ।

মহাবিদ্যালয়ৰ অধ্যক্ষ, শ্ৰীযুত যতীন্দ্ৰ নাথ দেৱে বহু সময়ত মোৰ সাধাৰণ সম্পাদকৰ কালছোৱাত সহাৰি দিয়াৰ বাবেহে হয়তো ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধি হিচাপে কৰণীয় প্ৰতিটো কাম পৰিচালনা কৰাত সমৰ্থ হৈছিলো। মোৰ দিনত অধ্যক্ষ হিচাপে বসন্ত দত্ত দেৱকো পোৱাৰ সুভাগ্য ঘটিছিল। আকৌ শ্ৰীযুত যতীন্দ্ৰ নাথ, শৰৎ তালুকদাৰ আৰু বসন্ত দত্ত তিনিও জনকে আমি ছাত্ৰ-ছাত্ৰী সকলে আৰু অধ্যাপক অধ্যাপিকা সকলোৰে একত্ৰিত হৈ আনুষ্ঠানিক ভাৱে ৰমক-জমকেৰে মহাবিদ্যালয়ৰ পৰা বিদায় দিয়াৰ বাবে সুযোগ ঘটিছিল। বিভিন্ন সময়ত, বিভিন্ন ক্ষেত্ৰত, সময়ে সময়ে অধ্যাপক-অধ্যাপিকা লগতে মোৰ প্ৰবীন, নবীন সহপাঠী সকলোকে শ্ৰদ্ধাৰে কৃতজ্ঞতা জনাইছোঁ।

Column of the Vice-Principal

# My Feelings

2014 is the Golden Jubilee celebration year of our college. Since its inception the college has been trying for academic excellence and capacity building through quality education. Now we are proud enough as because our efforts have borne fruit as a large number of our alumni have serving the motherland in various fields like education, journalism, politics, economics cultural activities, defense services etc. in and outside the state. The students took the opportunities to benefit from education and learned values, behavior and lifestyle required for a sustainable future and for positive social transformation.

In this regard I remember Sri J.C.Nath, founder principal of our college for his proper guidanceand affection towards the teaching staff, non teaching staff as well as towards the students which helped all of us to inspire the students to come out with flying colours. Moreover we could contribute towards the holistic development of the greater Boko area through this college only. I also remember many senior teachers who helped me to gather knowledge and experience at the beginning. Some of them no more in this world. I Pray for them for eternal peace of their souls.

I am proud of our college. But miles to go to complete with the present world. I hope this Golden Jubilee celebration will inspire us to boost up to impart quality education, innovative works for academic excellence and to make our college a successful institution.

Jayatu Jwaharlal Nehru College.Boko

Dr. Joyshri Bhuyan

Vice-Principal

# প্ৰাচীন বকো ৰাজ্যৰ অলিখিত ইতিহাস

ৰাম কুমাৰ শীল

বৃহত্তৰ বকো অঞ্চললৈ জন প্ৰবজন ঃ বৃহত্তৰ বকো অঞ্চললৈ প্ৰস্তৰ যুগতেই অষ্ট্ৰো-এচিয়াটিক গোষ্ঠীৰ অৰ্থাৎ অষ্ট্ৰিক জাতিৰ আগমন হয়। এওঁলোকৰ ভিতৰত চামুৰ, তাঁলৈং, মাৰাং, চিন্তাং আদি ফৈদ আছিল। এওঁলোক খাছিয়াসকলৰ পূৰ্বপুৰুষ। এওঁলোক অসমলৈ প্ৰৱেশ কৰা সময়ত নৱ প্ৰস্তৰ যুগৰ সভ্যতা প্ৰাপ্ত আছিল। খাছিয়া শব্দটোৰ অৰ্থ হেনো- 'খা' মানে ধান, 'খাও' মানে চাউল আৰু 'কাকছিউ' মানে সতি-সন্ততি। মতান্তৰে 'খা' মানে জন্মহোৱা আৰু 'চি' মানে আদিম মাতৃ। খাছিয়া ভাষাত খাছিয়া শব্দটোৰ অৰ্থ হ'ল- আদিম মাতৃৰ পৰা জন্ম পোৱা ধান খেতিৰ আৱিষ্কৰ্তালোকৰ বংশধৰ। আদিম অৱস্থাত এওঁলোকে পাহাৰত ঝুম প্ৰণালীত খেতি-বাতি কৰিছিল, জীৱ-জন্তু পুহিব জানিছিল আৰু পলু পুহি সুতা কাটি কাপোৰ বৈ লৈছিল।

এওঁলোক সম্পূৰ্ণৰূপে মাতৃ তান্ত্ৰিক আছিল। সন্তানৰ মাতৃ বংশৰে পৰিচিত হৈছিল। যি মাতৃৰ সন্তানৰ সংখ্যা বেছি স্বাভাৱিকতে সেই মাতৃ ফৈদৰ ভিতৰতে শাক্তিশালী হৈ উঠিছিল। মাতৃয়ে নিজৰ পৰিয়ালৰ তথা ফৈদৰ কৰ্তৃত্ব আৰু নেতৃত্ব গ্ৰহণ কৰিছিল। মাতৃসকলৰ ভিতৰত পাস্পৰিক হিংসা, দ্বেষ আৰু সংগ্ৰামৰ ফলত শাক্তিশালী মাতৃৰ দ্বাৰা পৰাজিত দুৰ্বল মাতৃয়ে নিজৰ পৰিজন, পশুৰ পাল, অস্ত্ৰ-শস্ত্ৰ লৈ নতুন ভূমিৰ সন্ধানত আন ঠাইলৈ আঁতৰি গৈছিল। এনেকুৱা মাতৃক কেন্দ্ৰ কৰিয়েই নতুন ভূমিত নতুন ফৈদ বা বাৰায়ৰ সৃষ্টি হৈছিল। মাতৃৰ পৰা বাঢ়ি অহা সন্তানবোৰক জন বা গণ বোলা হৈছিল আৰু তেনে জন বা গণেৰে গঠিত বাৰায়ক জনজাতি বোলা হয়। এওঁলোকক আকৌ আদিম মাতৃৰ নামেৰে নামকৰণ কৰা হৈছিল। এনেকৈয়ে মাহাৰী বা মাইৰ বংশৰ উৎপত্তি।

অষ্ট্ৰিক গোষ্ঠীৰ কোনো এক পৰাজিত দুৰ্বল মাতৃয়ে নিজৰ পৰিয়াল পৰিজন লৈ ইতিহাসৰ কোনো এক অজ্ঞাত সন্ধিক্ষণত বৃহত্তৰ বকো অঞ্চলৰ দক্ষিণে অৱস্থিত মুনিহাৰী পাহাৰত থিতাপি ল'লে। মুনিহাৰী শব্দটোও বড়োমুলীয়া মাই-নি-হাৰী- অৰ্থাৎ মাতৃৰ বংশক হে বুজায়। সময়ৰ সোতত এই মুনিহাৰী পাহাৰৰ বৰ্তমান বকো বনগাঁও অঞ্চলৰ দক্ষিণে থকা বিয়ৰ দং, উনচুদুম, উম্ফা, লাম্পী, ৰানী, মখেত, ওৱালা, পানবাৰী, তালিমাৰা, নং দ্ৰং, মাউটক্ৰেলিন, পেচেলেং, উমিয়াদ, উমবাৰচিং, উমতাফ, চোমৰাং আদি পাহাৰুৱা অঞ্চলৰ বিভিন্ন ঠাইলৈ অষ্ট্ৰিক গোষ্ঠীৰ লোকসকলে প্ৰব্ৰজন কৰিবলৈ ধৰে। ক্ৰমান্বয়ে বকো অঞ্চলৰ ভৈয়ামত অৱস্থিত বিভিন্ন পাহাৰলৈও এই আদিম লোকসকলৰ আগমন হয় আৰু এইবোৰ অঞ্চলতো তেওঁলোকৰ কৃষ্টি-সংস্কৃতি বিকশাই তোলে। মুনিহাৰী পাহাৰৰ পৰা বকো অঞ্চলৰ ভৈয়ামত অৱস্থিত পাহাৰবোৰলৈ প্ৰব্ৰজন কৰোঁতে এই লোকসকলৰ কেইবা হাজাৰ পাৰ হৈছিল।

বকো অঞ্চলত বসবাস কৰা আদিম অষ্ট্ৰিক লোকসকলে মাতৃস্নেহত ডাঙৰ দীঘল হৈ কৃতজ্ঞতা স্বৰূপে মৃত মাতৃৰ সমাধিৰ ওপৰত বহল এচটা শিল পেলাই থৈ মৃতকৰ উদ্দেশ্যে আহাৰ্য দান কৰিছিল। এনেকৈয়ে এওঁলোকৰ ভিতৰত আদিম মাতৃৰ উপাসনাৰ ধাৰণা জন্মে। তেওঁলোকে আদিম মাতৃৰ প্ৰতীক হিচাপে যোনী পূজা (Fallic Worship] কৰিছিল। এই আদিম মাতৃকে তেওঁলোকে 'কাম- মেই - খা' বুলিছিল। কালিকা পুৰাণৰ জ্ব অধ্যায়ৰ ৰচ্ছুচ্ছ-ৰচ্ছুপ্ত নং শ্লোক আৰু দেৱী পুৰাণৰ.জ্ব অধ্যায়ৰ গু-ছ নং শ্লোকৰ আধাৰত এনেদৰে ক'ব পাৰি- সমগ্ৰ বৃহত্তৰ বকো অঞ্চলত যোনী পূজাৰ বাহিৰে অন্য দেৱ-দেৱীৰ পূজা নিষিদ্ধ আছিল। বকো অঞ্চলৰ প্ৰতি গৃহত দেৱী কামাখ্যা সদায় বিৰজিতা। ইয়াৰ গিৰি-গুহাবোৰত আদিম জনগোষ্ঠীয়ে বিভিন্ন ৰূপত দেৱীৰ পূজা কৰিছিল। সেয়েহে বৃহত্তৰ বকো অঞ্চলত সিঁচৰিত হৈ থকা বিভিন্ন পাহাৰবোৰৰ শীৰ্ষদেশত অথবা গাত্ৰদেশত অলেখ কামাখ্যা থান, কেচাই-খাইতীৰ থান, পাৰ্বতীৰ থান অদ্যাপিও বিদ্যমান। এই থানসমূহ মহাকাব্যৰ যুগৰো বহু আগৰ অৰ্থাৎ কমপক্ষেও দহ হাজাৰ বছৰ আগৰ হ'ব। মাতৃ তান্ত্ৰিক আদিম জনগোষ্ঠীৰ দ্বাৰা প্ৰতিষ্ঠিত এই থান সমূহত সুপ্ৰাচীন কালৰ পৰা বৰ্তমানলৈ স্থানীয় জনজাতীয় লোকসকলে ব'হাগ,

জেঠ, আহাৰ, শাওণ, ভাদ অথবা মাঘ, ফাগুন মাহত বিভিন্ন ৰূপত পূজা কৰি আহিছে। সেইবোৰৰ উপৰিও এই অঞ্চলৰ জাতীয় জীৱনত অষ্ট্ৰিক ছাপ সুস্পষ্ট। এই অঞ্চলত অৱস্থিত মানুহৰ বাৰীয়ে বাৰীয়ে তামোল, পাণ, কল, নাৰিকল, কুঁহিয়াৰ, আম, কঠাল, লাও, বেঙেনা, কোমোৰা, কেৰেলা, ভোল, জিকা, হালধি আদিৰ খেতিৰ ব্যৱহাৰ অষ্ট্ৰিক জাতিৰ অৱদান বুলি গৱেষক পণ্ডিতসকলে কয়। এই অঞ্চলত অৱস্থিত ছমৰীয়াৰ প্ৰাচীন নাম চামুৰীয়া। খাছিয়াৰ পূৰ্বপুৰুষ চামুৰ জাতি ৰিয়া অৰ্থাৎ পলু পুহি সূতা কাটি কাপোৰ বোৱা বিদ্যাত বৰ পাৰ্গত আছিল। তেওঁলোকৰ বাসস্থানকে কালক্ৰমত চামুৰীয়া নামে অভিহিত কৰা হৈছিল। বিষয়টো প্ৰণিধান যোগ্য।

ইয়াৰ পিছত বৃহত্তৰ বকো অঞ্চললৈ কেইবা হাজাৰ বছৰ পিছত মঙ্গোলীয় গোষ্ঠীৰ তিব্বত-বৰ্মী শাখাৰ ইন্দো-মঙ্গোলীয় লোকৰ প্ৰব্ৰজন হয়। এওঁলোক তিব্বত, নেপাল আৰু ভূটানৰ পৰা প্ৰব্ৰজন কৰি ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈসমূহৰ দাতি কাষৰীয়া ঠাইত বসবাস কৰিবলৈ ধৰে। বকো অঞ্চলৰ ভূমি ভাগলৈ আদিম অৱস্থাত এওঁলোকে ব্যৱসায়িক লেনদেনৰ বাবে যাতায়ত কৰিছিল। এইলোকসকলক সংস্কৃত সাহিত্যত কিৰাত বুলি জনা যায়। কোটিল্যৰ অৰ্থশাস্ত্ৰত 'গ্ৰামেৰু' নামৰ বাণিজ্যিক চহৰৰ পৰা দুকুলাৰে বিভিন্ন ব্যৱসায়িক সামগ্ৰী উত্তৰ ভাৰতলৈ ৰপ্তানি হোৱাৰ কথা উল্লেখ আছে। বকো অঞ্চলত অৱস্থিত গামেৰীমূৰা নামৰ ঠাইখনেই সংস্কৃত গ্ৰামেৰু বুলি ঠাৱৰ কৰিব পাৰি। তাৰোপৰি চম্পক নগৰৰ চান্দো সদাগৰে দেশ-বিদেশৰ লগত বাণিজ্য কৰাৰ কথা সৰ্বজন বিদিত। কিৰাত সকলৰ জৰিয়তে উত্তৰ ভাৰতৰ ৰজাই লোহিত সাগৰৰ দক্ষিণ কুলৰ লগত বাণিজ্যিক সম্পৰ্ক গঢ়ি তুলিছিল। কেইবা শতিকা জোৰা প্ৰব্ৰজনৰ ফলত বকো অঞ্চলৰ ভূমি ভাগত কিৰাতসকলৰ প্ৰাধান্য প্ৰতিষ্ঠিত হয়। এওলোক সম্পূৰ্ণৰূপে পাহাৰবাসী আছিল যদিও নাঙলেৰে মাটি চহাই কঠিয়া পাৰি ধান খেতি কৰা পদ্ধতি, সমতল ভূমিত ঘৰ সাজি খেতি-বাতি কৰি পহৰা দিয়া, দৈনন্দিন জীৱনত, পূজা-পাতলত তন্ত্ৰ-মন্ত্ৰৰ ব্যৱহাৰ, অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰা বিদ্যাও জানিছিল। বৰ্তমান বকো অঞ্চলত প্ৰচলিত থকা শক্তি পূজাৰ বলি বিধান, মদ, গাহৰি, কুকুৰাৰ ব্যৱহাৰ, সমূহীয়া ভাৱে ধান ৰোৱা, ধান কটা, মাছমৰা, সভা-উৎসৱ পতা আদি কাৰ্য ইন্দো-মঙ্গোলীয় লোকসকলৰ আগমনত দ্ৰুতভাৱে তাম্ৰযুগ, লৌহযুগ, ব্ৰোঞ্জযুগ বিকশিত হৈছিল। কিৰাত জাতীয় এই ইন্দো-মঙ্গোলীয় লোকসকলৰ বংশধৰ হ'ল- বৰ্তমানৰ বড়ো-কছাৰী, গাৰো, ৰাভা, মেচ, কোচ আদি জনজাতীয় লোকসকল।

ইয়াৰ উপৰিও ঐতিহাসিক যুগত কামৰূপ-কমতাপুৰত হোৱা বিভিন্ন সময়ত ৰাজনৈতিক উত্থান-পতন, অৰাজকতা, প্ৰাকৃতিক বিপৰ্যয় আদিৰ ফলতো বকো অঞ্চলৰ ভূমি ভাগলৈ নানা তৰহৰ জনগোষ্ঠীৰ প্ৰব্ৰজন হৈছিল।

বকো নাম উৎস ঃ ইন্দো-মঙ্গোলীয় লোকসকল বৃহত্তৰ বকো অঞ্চলত প্ৰব্ৰজন কৰা সময়ত ইয়াত অষ্ট্ৰিক ভাষা চলিছিল। এওঁলোকো সম্পূৰ্ণ ৰূপে মাতৃতান্ত্ৰিক আছিল। ফলত অষ্ট্ৰিক আৰু কিৰাত সংস্কৃতিৰ সমন্বয় সাধন হ'ল। কালক্ৰমত কিৰাত জাতীয় লোকৰ সংখ্যাধিক্য হোৱাত এই অঞ্চলত অষ্ট্ৰিক ভাষাৰ পৰিবৰ্তে বড়োমূলীয়া ভাষাই প্ৰাধান্য লাভ কৰে। ইন্দো-মঙ্গোলীয় লোকসকলে এই অঞ্চলত বসবাস কৰাৰ পিছত এওঁলোকৰ পৰা উদ্ভৱ হোৱা বড়ো-কছাৰীসকলে কুলচি নদী আৰু দেওশিলা নদীয়ে আগুৰি থকা বিস্তৃত ভূখণ্ডক বৰ 'খ' (বৰখো) অথবা বৰ্‌খ' (বৰখো) বুলি অভিহিত কৰিছিল। এওঁলোকৰ প্ৰভাৱত কোচ, মেচ, ৰাভা, গাৰোসকলেও এই বিশাল অঞ্চলটো 'বাৰায় খো' বুলি অভিহিত কৰিছিল। বৰ' শব্দৰ অভিধানিক অৰ্থ হ'ল- To prepare the land by ploughing or ploughing paddy or Seedling আৰু খ' শব্দৰ অভিধানিক অৰ্থ হ'ল- To pile up soil. আনহাতে বৰখ' শব্দৰ অভিধানিক অৰ্থ হ'ল- ট্ৰিনন্ধ, স্ৰজন্ধঙ্গ. বড়োমূলীয়া এই বৰ'খ' বা বৰ্‌খ' শব্দৰ পৰাই কালক্ৰমত বাৰায় খ' (বাৰায় খো) > ব্ৰখ' (ব্ৰখো) > বখ' (বখো) নামৰ উৎপত্তি। Imperial Gazzate of India - East Bengal and Assam নামৰ পুথিত উল্লেখ আছে যে তিব্বতীয়-মঙ্গোলীয় গোষ্ঠীৰ গাৰোসকলে যেতিয়া তিব্বতৰ পৰা প্ৰব্ৰজন কৰি কোচ-বিহাৰত থিতাপি লয়, তেতিয়া কোচবিহাৰৰ ৰজাই গাৰোসকলৰ বৈষয়িক উন্নতি দেখি ঈৰ্ষান্বিত হৈ নিজ ৰাজ্যৰ পৰা খেদি দিয়ে। গাৰোসকলে আহি যোগীঘোপাত থিতাপি লয়। কোচবিহাৰৰ ৰজাৰ উচটনিত গাৰোসকলে ইয়াৰ পৰা খেদা খাই নীলাচল পৰ্বতলৈ আহে। ইয়াত আৰ্য গোষ্ঠীৰলোকে গাৰোসকলক বন্দী কৰে। এই সংবাদ পাই ব্ৰখোৰ খাছিয়া ৰজাই গাৰোসকলক উদ্ধাৰ কৰি নিজ ৰাজ্যত স্থাপন কৰে। এই ঘটনাৰ সময় খৃঃ পূঃ দ্বাদশ শতিকা বুলি বুৰঞ্জীবিদ পণ্ডিতসকলে ঠাৱৰ কৰিছে। গতিকে দেখা যায়-ব্ৰখো নামৰ উৎপত্তি কমেও তিনি হাজাৰ বছৰ আগতে হৈছে। আধুনিক

বকো নামটো প্ৰাচীন বৰ'খ' বা বৰখ' > বাৰায় খ' > ব্ৰখ' > বখ' শব্দৰ বৃটিছায়ন (britishization) মাথোন।

প্ৰাচীন ব্ৰখোই এক বৃহত্তৰ অঞ্চলত বুজাইছিল। মাতৃ-তান্ত্ৰিক ফৈদবোৰৰ লোকসকলে নিজৰ উৎপাদিত সামগ্ৰীবোৰ সাল-সলনিৰ অৰ্থে অথবা ব্যৱসায়িক লেন-দেনৰ বাবে বিভিন্ন ঠাইত 'আন্থি' (বজাৰ বা হাট) স্থাপন কৰিছিল। আন্থি শব্দটো গাৰো ভাষাৰ শব্দ। বাৰায় আন্থি (জনগোষ্ঠীৰ বজাৰ বা হাট) এই শব্দটোৰ সংস্কৃতায়ন হ'ল বাঢ়ান্তি। দক্ষিণ কামৰূপৰ কেইবাখনো ঠাইৰ নামৰ লগত বাঢ়ান্তি শব্দৰ প্ৰয়োগ থকা দেখা যায়। বৰ্তমান ছয়গাঁও অঞ্চলটোৰ পুৰণি নাম বাঢ়ন্তি পৰাগণা। সম্ৰাট জাহাঙ্গীৰৰ দিনত ছেখ ইব্ৰাহিম কড়োৰীয়ে কামৰূপত পৰাগণা বন্দী প্ৰথা প্ৰচলন কৰা সময়ত বঙ্গেশ্বৰ নামৰ এটা তপা (চক্ৰ) গঠন কৰিছিল। এই বঙ্গেশ্বৰ তপাই প্ৰাচীন ব্ৰখোৰ এটা অংশ সামৰি লৈছিল। এই অংশটোক বৰ্তমান দক্ষিণ সৰুবংশৰ মৌজা বোলা হয়। এনেদৰে বিভিন্ন সময়ত ৰাজনৈতিক উত্থান-পতনৰ ফলত বৃহত্তৰ ব্ৰখো অঞ্চল ক্ৰমান্বয়ে সঙ্কুচিত হৈ বৰ্তমানৰ বকো মৌজাৰূপে নিজৰ অস্তিত্ব অক্ষুন্ন ৰাখিছে।

**ব্ৰখোৰ প্ৰাচীন ৰাজ্য ঃ** ব্ৰখো অঞ্চলত পোন প্ৰথমে খাছিয়াসকলে ৰাজতন্ত্ৰৰ পাতনি মেলিছিল। খাছিয়া সামন্তীয় নেতাসকলে বহুতো সৰু সৰু ৰাজ্য স্থাপন কৰিছিল। ইয়াৰে ভিতৰত মেৰ্ মেৰ্, মুৰ্ মুৰ্,বেৰেকো, চৰ্চৰ, চিক্ৰাং, চুক্ৰাং আদি ৰাজ্যবোৰ খাছিয়া পাহাৰৰ পাদদেশত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে আছিল বুলি জনা যায়। তথ্যৰ অভাৱত এই ৰাজ্যবোৰৰ ভৌগলিক অৱস্থান নিৰ্ণয় কৰা কঠিন। খৃষ্টীয় প্ৰথম বা দ্বিতীয় শতাব্দীত বাণ ৰজাৰ সেনাপতি মতান্তৰে পুত্ৰ ৰাভা ৰজা দদানে তেওঁৰ ৰাজ্য দাৰ্বান (দৰং) চ্যুত হৈ নীলগিৰি পাহাৰলৈ আহি তাৰ পৰা খাছিয়া পাহাৰৰ পাদ দেশেদি ভটিয়াই হাঁহিম, ধূপধৰা, আদুগিৰি হাচু হৈ নতুন ৰাজ্যৰ সন্ধানত আগবাঢ়ি যাওঁতে উপৰোক্ত ৰাজ্যৰ সামন্তীয় ৰজাসকলৰ লগত সংঘৰ্ষত লিপ্ত হোৱাৰ কাহিনী ৰাভা সমাজৰ জনশ্ৰুতিয়ে সাক্ষ্য দিয়ে।

ব্ৰখো অঞ্চললৈ ইন্দো-মঙ্গোলীয় লোকসকল আগমন কৰা সময়ত বড়ো, গাৰো,মেচ,ৰাভা আদি নামত পৰিচিত আছিল নে নাই, সেয়াও বিচাৰ্য বিষয়া। এইটো ঠিক-এই অঞ্চলৰ আদিম অধিবাসী আৰু পৰৱৰ্তী কালত অহা বিভিন্ন মাতৃতান্ত্ৰিক জনগোষ্ঠীৰ সামন্তীয় শাসন কৰ্তাৰ অধীনত ইতিহাসৰ বিভিন্ন সময়ত বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যই আত্ম প্ৰকাশ কৰিছিল। সময়ে সময়ে এই জনজাতীয় ৰাজ্যবোৰৰ উত্থান পতন আৰু ভৌগলিক সীমাৰ পৰিবৰ্তন যে নাছিল তেনে নহয়। এই অঞ্চলৰ প্ৰাচীন ৰাজ্যবোৰৰ ভিতৰত পাটান, ৰংবুগ্ৰী, দৈবুগ্ৰী, বুড়াদুগ্ৰী, চুনল, আক্ৰা, দুম্ৰিয়া, চামুৰীয়া, কুলুং, ঔগুৰী, ঔফুলা আদি স্বাধীন সামন্তীয় ৰাজ্যবোৰৰ নাম পোৱা যায়। বকো অঞ্চলৰ প্ৰচলিত জনশ্ৰুতি আৰু কিম্বদন্তিও এই কথাৰ সাক্ষ্য দান কৰে। তাৰোপৰি ডেভিদ স্কটৰ প্ৰতিবেদনতো ইয়াৰ কেইখনমান ৰাজ্যৰ নাম উল্লেখ আছে। পুৰণি কামৰূপ কমতাপুৰ ৰাজ্যত শক্তিশালী ৰজা নোহোৱাত বিভিন্ন ঠাইত বাৰভূঞাসকলে মূৰ দাঙি উঠে। এই সময়তে ব্ৰখো অঞ্চলত অগাপিচাকৈ ওপৰোক্ত সামন্তীয় ৰাজ্যবোৰৰ উৎপত্তি হয়।। অন্ধকাৰৰ গৰ্ভত লুকাই থকা এই ৰাজ্যবোৰৰ চিনাক্ত কৰণ এনে ধৰণে কৰিব পাৰি- পাণ্টান হ'ল বৰ্তমান ছয়গাঁও অঞ্চল, ৰংচিংগ্ৰী হ'ল বৰ্তমান শিংৰা অঞ্চল, ৰংবুগ্ৰী আৰু দৈবুগ্ৰী হ'ল অতীতৰ বগাই ৰাজ্য বৰ্তমানৰ বকোৰ কিয়দাংশ আৰু বনগাঁওৰ পাহাৰুৱা আৰু ভৈয়াম অঞ্চল। দুম্ৰিয়া হ'ল বৰ্তমান বকোৰ দক্ষিণ পশ্চিমে থকা গাৰোপাহাৰৰ সীমান্তৱতী দক্ষিণ কামৰূপ আৰু হাব্ৰাঘাটৰ কিছু অংশ জুৰি থকা কোচ বা গাৰো ৰজাৰ ৰাজ্য। এই ৰাজ্যখনৰ অস্তিত্ব খৃষ্টীয় সপ্তদশ শতিকাৰ আগ ভাগলৈকে আছিল। বৰ্তমান বকো অঞ্চলৰ অন্তৰ্গত গামেৰীমূৰাৰ (মালাঙ) ওচৰত অৱস্থিত ৰনং আৰু চনং দুম্ৰাংকোনা, দুমৰাং বৰজুলি নামৰ গাঁওকেইখনেই অতীতৰ দুম্ৰিয়া ৰাজ্যৰ স্মৃতি বহন কৰি আছে। ঔগুৰী আৰু ঔফুলা নামৰ দুখন গাওঁ বৰ্তমান বনগাঁও মৌজাত অৱস্থিত। লুকীৰ প্ৰাচীন নাম কুলুং। বৰ্তমান বনগাঁও আৰু বকোৰ উত্তৰে অৱস্থিত আক্ৰা আছিল ৰাভাগোষ্ঠী লোকৰ স্বাধীন ৰাজ্য। এই ৰাজ্যৰ অস্তিত্ব খৃষ্টীয় দ্বাদশ শতিকাৰ শেষভাগৰ পৰা খৃষ্টীয় যোড়শ শতাব্দীৰ মধ্য ভাগলৈকে থকাৰ প্ৰমাণ পোৱা যায়। এই ৰাজ্যখনৰ দ্বাদশ শতিকাত গেন্দ্ৰে আৰু যোড়শ শতিকাত ৰূপে নামৰ দুজন ৰজাৰ নাম পোৱা যায়। চুনল আৰু বুঢ়া ডুগ্ৰীৰ ভৌগলিক অৱস্থান নিৰ্ণয় কৰিব পৰা নাই।

প্ৰাচীন বকো ৰাজ্যৰ সংক্ষিপ্ত খতিয়ান ঃ-

(ক) কমতাপুৰ ৰাজ্যকালীন প্ৰাচীন বকো ৰাজ্য ঃ খৃষ্টীয় দ্বাদশ শতিকাৰ শেষৰ পিনে লাম্পীত বাকাচিং নামৰ এজন খাছিয়া সামন্তীয় ৰজাই আত্ম প্ৰকাশ কৰে। এওঁ পূবে বকো নদী, পশ্চিমে শিংৰা নদী আৰু উত্তৰে আক্ৰা ৰাজ্যলৈকে এই অঞ্চলত থকা জনজাতীয় নেতাসকলক বশ কৰি বকোৰ ৰজা হয়। ৰাজ্যখন শাসনৰ সুবিধাৰ বাবে বাকাচিঙে তেওঁৰ ৰাজধানী

লাম্পীৰ পৰা সাময়িক ভাৱে হাতীপুতা (মৌমান গাঁৱৰ পূবত জোঙাখুলীৰ উত্তৰে অৱস্থিত আছিল) নামৰ ঠাইলৈ স্থানান্তৰ কৰে। এওঁৰ দুজনী ঘৈনীয়েক আৰু ল'ৰা তিনিজন। ল'ৰা তিনিজনৰ নাম যথাক্ৰমে লেচাও, চুবাও, বিষং। বকোত বাকাচিঙে ৰাজত্ব কৰা সময়ত বকোৰ পূবে থকা ৰংবুগ্ৰীৰ খাছিয়া ৰজাৰ নাম আছিল ৰাতমিৰাং, দৈবুগ্ৰীৰ খাছিয়া ৰজাৰ নাম আছিল চিবেঙ আৰু আক্ৰা ৰাজ্যৰ ৰাভা ৰজাৰ নাম আছিল গেন্দ্ৰে। বকোত বাকাচিঙে ৰাজত্ব কৰা সময়ত অসম বুৰঞ্জীখ্যাত মৃগয়াপ্ৰিয় আৰিমত্ত চিকাৰৰ বাবে আক্ৰা ৰাজ্যত উপস্থিত হয়। ইয়াতেই ৰাভা ৰজা গেন্দ্ৰেৰ ৰাজকন্যা মণিমালাৰ লগত আৰিমত্তৰ সাক্ষাৎ হয়। আৰিমত্তই মণিমালাক পলুৱাই নি অনাই-বনাই ঘূৰি ফুৰি অৱশেষত ৰংবুগ্ৰী ৰাজ্যৰ প্ৰতিপত্তিশালী জাচেং গাৰোৰ আশ্ৰয়ত বাকৰাঝুৰা নামে ঠাইত আত্মগোপন কৰি থাকে। এই জাচেং গাৰোৰ সহায়ত আৰিমত্তই এদল দুৰ্দ্ধৰ্ষ সৈন্য বাহিনী গঠন কৰে। ইয়াৰ পিছত আৰিমত্তই সসৈন্যে বকো ৰাজ্য আক্ৰমণ কৰে। বাকাচিঙৰ লগত আৰিমত্তৰ কেইবাখনো যুদ্ধ হয় আৰু এই যুদ্ধবোৰত বাকাচিঙৰ ল'ৰা তিনিজন নিহত হোৱাৰ উপৰিও বহুতো সৈন্যৰ মৃত্যু হয়। আৰিমত্তই বাকাচিঙৰ অস্থায়ী ৰাজধানী দখল কৰি ঘৰ দুৱাৰ জ্বলাই দিয়ে। বাকাচিঙে যুদ্ধত হাৰি সপাৰিষদে তেওঁৰ স্থায়ী ৰাজধানী লাম্পীলৈ গুচি যায়। আৰিমত্তই বাকাচিঙক পিছে পিছে খেদি নি লাম্পীত তেওঁৰ গোষ্ঠীয় লোকৰ বিশ্বাসঘাতকতাত বন্দী কৰি পিছত হত্যা কৰে। বকো ৰাজ্য দখল কৰি আৰিমত্তই ৰংবুগ্ৰীৰ খাছিয়া ৰজা ৰাতমিৰাং, দৈবুগ্ৰীৰ খাছিয়া মতান্তৰে গাৰো ৰজা চিঙে আৰু তাৰ পূবে থকা খাছিয়া ৰজা পাণ্টান সিঙক যুদ্ধত হৰুৱাই তেওঁলোকৰ ৰাজ্যও দখল কৰি বকো ৰাজ্যত চামিল কৰে। আৰিমত্তই চলোৱা এই অভিযানবোৰৰ ভিতৰত বুঢ়াদিয়াঘাত, চোঙমা আৰু জাকদনৰাম নামৰ তিনিখন ঠাইত ডাঙৰ যুদ্ধ হৈছিল আৰু উভয় পক্ষৰ অগণন লোক নিহত হৈছিল। আৰিমত্তৰ এই অপ্ৰতিৰোধ্য দুৰ্বাৰ গতিত ভীত হৈ ব্ৰখো অঞ্চলৰ অন্যান্য সৰু সুৰা ৰজাবোৰেও তেওঁৰ অধীনতা স্বীকাৰ কৰি লয়। ইয়াৰ ফলত আৰিমত্তৰ ৰাজ্যই দক্ষিণে আপাৰ লাম্পী, পশ্চিমে দেওশিলা নৈ, পূবে কুলচি নদী আৰু উত্তৰে আক্ৰা ৰাজ্যলৈ বিস্তৃতি লাভ কৰে। এই বিশাল ৰাজ্যৰ ৰজা হৈ আৰিমত্তই লান্দুঘাগৰি পাহাৰত ৰাজধানী পাতি ৰাজ্য শাসন কৰিব ধৰে। ৰজা আৰিমত্তই জাচেং গাৰোক প্ৰধান সেনাপতি পাতে আৰু নিনিহানা নামৰ গাৰো কন্যা এজনীক বিয়া কৰায়।

আৰিমত্তই বকো ৰাজ্যত ১৩৪৫ খৃঃৰ পৰা ১৩৬০ খৃষ্টাব্দলৈ এই পোন্ধৰ বছৰ কাল ৰাজত্ব কৰিছিল। অৱশেষত তেওঁৰ শহুৰ ৰাভা ৰজা গেন্দ্ৰেৰ লগত মনোমালিন্য হোৱাত আৰু ঘৈনীয়েক মণিমালাৰ চক্ৰান্তত দুঃখ পাই এদল দুৰ্দ্ধৰ্ষ যোদ্ধা লৈ আৰিমত্তই বকো ৰাজ্য এৰি গুচি যায়। ইয়াৰ পিছত গেন্দ্ৰেই আৰিমত্তৰ ঔৰষত আৰু মণিমালাৰ গৰ্ভত জন্মা আৱ্ৰুকক বকোৰ ৰজা পাতে। আৱ্ৰুক দুকুৰিৰো অধিক কাল বকোৰ ৰজা হৈ আছিল। এওঁ বাপেকৰ দৰে দক্ষ প্ৰশাসক নাছিল। এওঁৰ মৃত্যুৰ পিছত ৰাজ্যৰ বিভিন্ন অংশত কেইবাজনো খাছিয়া আৰু গাৰো সামন্তীয় নেতাৰ অধীনত নতুন ৰাজ্যই আত্ম প্ৰকাশ কৰিলে। প্ৰাচীন ৰংবুগ্ৰী আৰু দৈবুগ্ৰী ৰাজ্য গুচি বিশাল বগাই ৰাজ্যৰ উদ্ভৱ হ'ল। বগাই ৰাজ্যৰ পূবত চিৰেন-দো-মেফিয়া নামৰ খাছিয়া মতান্তৰে গাৰো সামন্তীয় নেতা এজনে নতুন ৰাজ্য স্থাপন কৰে। আৱ্ৰুকৰ মৃত্যুৰ পিছত লুকী ৰাজ্যৰো উদ্ভৱ হ'ল ; ৰংচিগ্ৰী অঞ্চলটো লুকী ৰাজ্যৰ অন্তৰ্গত হোৱাত এই ৰাজ্যখনৰ পৰিসৰ যথেষ্ট বৃদ্ধি পায়। বগাই আৰু লুকী এই দুখন ৰাজ্য ক্ৰমে শক্তিশালী হৈ উঠে। ফলত বকো ৰাজ্যৰ পৰিসৰ খুব সংকুচিত হৈ পৰে। বিভিন্ন সামন্তীয় ৰাজ্যবোৰৰ উত্থান-পতনত এশ বছৰৰো বেছি সময় লাগিছিল। এই সময় ছোৱাত বকো ৰাজ্যৰ ৰজাসকলৰ বিষয়ে একো জনা নাযায়।

খ) কোচ ৰাজত্ব কালীন বকো ৰাজ্য ঃ খৃষ্টীয় ১৪ শতিকাৰ শেষ দশকত বকো ৰাজ্যৰ ৰজা হয় নাৰিয়া সিং। কোচ ৰজা বিশ্বসিংহ জীৱনৰ আদি ছোৱাত বকো ৰজা নাৰিয়া সিঙৰ গৰখীয়া আছিল। বকো ৰাজ্যৰ পৰা বগাইলৈ গৈ বিশ্ব সিংহ গৰখীয়া দলৈ হয় আৰু ইয়াতেই তেওঁ এদল সৈন্য বাহিনী গঠন কৰে। এই সৈন্য বাহিনীৰ সহায়ত চিৰণ্-দো মেফিয়া,যাক অসম বুৰঞ্জীত চাৰু ভূঞা বোলা হৈছে, তেওঁৰ ৰাজ্য আক্ৰমণ কৰি দখল কৰে। পিছলৈ লুকী ৰাজ্যও দখল কৰি বিশ্বসিংহই বকো অঞ্চলতে সামন্তীয় নেতা ৰূপে আত্ম প্ৰকাশ কৰে। গাৰো ৰজা আৰিমত্তৰ দৰে কোঁচ ৰজা বিশ্বসিংহইও বকো অঞ্চলতে সামন্তীয় নেতা ৰূপে আত্ম প্ৰকাশ কৰি সমগ্ৰ কামৰূপ কমতাপুৰৰ একচ্ছত্ৰী সম্ৰাটলৈ উত্তৰণৰ যি চমকপ্ৰদ ইতিহাস, সেয়া আধুনিক বুৰঞ্জীসমূহত চকুত লগা ধৰণে উপেক্ষিত। বিশ্বসিংহই তেওঁৰ মাহীয়েক জিৰাক বগাই ৰাজ্যৰ শাসনকৰ্ত্ৰী পাতিছিল। মহাৰাজ নৰনাৰায়ণৰ সময়ত বকোৰ ৰজা আছিল গোধা সিং। কোঁচ ৰজাসকলে দক্ষিণ কুলৰ ৰজাসকলক সামন্তপদ দান কৰিছিল আৰু এওঁলোকক ঢেকেৰী ৰজা বুলি অভিহিত কৰিছিল।

মহাৰাজ নৰনাৰায়ণৰ দিনত ডিমুৰীয়াৰ ৰজা পান্তেশ্বৰক দক্ষিণ কুলৰ সামন্তীয় ৰাজ্যবোৰৰ মুখ্য তত্বাৱধায়ক পতা হৈছিল। এওঁৰ দিনত আহোমে জয়ন্তীয়া ৰাজ্য আক্ৰমণ কৰাত তাৰ পৰা ওঠৰ হাজাৰ মানুহ ডিমুৰীয়ালৈ পলাই আহে। মহাৰাজ নৰনাৰায়ণৰ নিৰ্দেশত ডিমুৰীয়াৰ ৰজা পান্তেশ্বৰে এই উদ্বাস্তু মানুহখিনিক দক্ষিণ কামৰূপত সংস্থাপন কৰে। ইয়াৰ অধিক সংখ্যক লোকক বগাইত সংস্থাপন কৰা হয় আৰু এনেকৈয়ে বগাই ৰাজ্যৰ বুকুত বনগাঁও ৰাজ্যৰ উৎপত্তি হয় মহাৰাজ নৰনাৰায়ণৰ দিনতেই। মহাৰাজ নৰনাৰায়ণ মৃত্যুৰ পিছত কোচ ৰাজ্য দুভাগ হয়। বকো অঞ্চলতো কোচ হাজোৰ ৰজা ৰঘুদেৱ আৰু তেওঁৰ পুতেক পৰীক্ষিতৰ ঢেকেৰী ৰাজ্য হয়। পৰীক্ষিতৰ দিনত বকোৰ ৰজাৰ নাম আছিল মানসিং।

(গ) মোগল আৰু আহোমৰ অধীনত বকো ৰাজ্য ঃ ১৬১৩ খৃঃত কোচ হাজো মোগলৰ হাতলৈ যায়। দক্ষিণ কুলত থকা ৰজ্জ্ব জন সামন্তীয় ৰজাই মোগলৰ বশ্যতা স্বীকাৰ নকৰাত মোগল সেনাপতি মিৰ্জা নাথনে ১৬১৯ খৃঃত দক্ষিণ কুলেদি অভিযান চলায়। মিৰ্জা নাথনে দ্বিতীয় বাৰ অভিযান চলোৱা সময়তহে বকো অঞ্চলত অৱস্থিত বাংতিকোঠ, চমৰীয়া, পয়ৰাঙ্গা, দেওচৰ আদি ঠাইত এই অঞ্চলৰ সামন্তীয় সন্মিলিত বাহিনীৰ লগত মোগলৰ তয়াময়া ৰণ হৈছিল। মোগলৰ অত্যাচাৰ বকো অঞ্চলৰ পাহাৰীয়া ঠাইত অৱস্থিত আলহিয়া দাব, গাৰোবাকৰি, কেচবাৰি, গান্দ্ৰাগিৰি, বাঘেহাৰী, লেৱাবাৰী আদি গাঁৱবোৰ উছন হৈছিল আৰু ইয়াৰ বাসিন্দাসকল দক্ষিণ পাহাৰলৈ আঁতৰি গৈছিল। ১৬২২ খৃঃত মিৰ্জা নাথনে দক্ষিণ কুলৰ ওঠৰ জন সামন্তীয় ৰজাক যুদ্ধবন্দী কৰি ঢাকাৰ নবাবৰ ওচৰলৈ যায়। তাৰ পিছত এই ৰজাসকলৰ কি হ'ল, সেই বিষয়ে মোগল বুৰঞ্জীত উল্লেখ নাই। মোগল বুৰঞ্জীত দক্ষিণ কামৰূপৰ এই ৰজাসকলক 'হিজদাহ' ৰাজা' বুলি উল্লেখ কৰা আছে। ১৬২০ খৃষ্টাব্দৰ পৰা ১৬৮২ খৃষ্টাব্দলৈ আহোম মোগলৰ ৰণত সমগ্ৰ দক্ষিণ কামৰূপৰ জন সাধাৰণ অতিষ্ঠ হৈ পৰিছিল। এই সময় ছোৱাৰ ভিতৰত মোগলে বৰদুৱাৰ আৰু গুৱাহাটীত থানা পাতি মোগল শাসনৰ প্ৰৱৰ্তন কৰিছিল। ১৬১৯ খৃষ্টাব্দত বকো অঞ্চলৰ খৰখৰী নদীৰ পাৰত মোগল আৰু কোচৰ ৰণত কোচ সকল পৰাজিত হোৱাৰ কথা মোগল বুৰঞ্জীত উল্লেখ আছে। মোগল শাসন প্ৰৱৰ্তন হোৱাত বকো অঞ্চলৰ লুকী, বকো, বনগাঁও, বগাই আদি ৰাজ্যৰ সামন্তীয় ৰজা সকলে নিয়মিত কৰ দিয়া নাছিল। আৱশ্যক বোধে উপঢৌকন দিছিল। এই সামন্তীয় ৰজাসকলৰ শাসন কাৰ্যত মোগলে কোনোদিনে হস্তক্ষেপ কৰা নাছিল। বস্তুতঃ এওঁলোকে স্বাধীন ভাৱে ৰাজ্য শাসন কৰিছিল। মোগলৰ বাঢ়ি অহা আগ্ৰাসন প্ৰতিহিত কৰিবলৈ আহোম ৰজা প্ৰতাপ সিংহই বকো অঞ্চলৰ বিভিন্ন সামন্তীয় ৰজাসকললৈ উপঢৌকন পঠিয়াই মিত্ৰতা স্থাপন কৰিছিল। তেতিয়াৰ পৰাই এই সামন্তীয় ৰজাসকল আহোমৰ অধীনত থাকে। আহোম ৰজাই এওঁলোকৰ লগত মোগল প্ৰথাকে বাহাল ৰাখে। আহোম ৰজাই এওঁলোকক 'ৰজা পোৱালি' আখ্যা দিছিল। বকো অঞ্চলৰ এই ৰজা পোৱালিসকলৰ সহযোগত আহোম ৰজা স্বৰ্গদেউ ওৰফে প্ৰতাপ সিংহই নগৰবেৰাৰ পশ্চিমে অৱস্থিত শগুনবাহী পাহাৰলৈ আহোম ৰাজ্য বিস্তাৰ কৰে। আহোম ৰজা জয়ধ্বজ সিংহ আৰু উদয়াদিত্য সিংহৰ দিনতো আহোমে মোগলৰ লগত যুদ্ধ কৰিবলগীয়া হৈছিল। আহোম স্বৰ্গদেউ চুজিনফাৰ দিনত গুৱাহাটীৰ লালুক সোলা বৰফুকনে ৰজা হোৱাৰ আশাত ভাগিনী জোঁৱাই আউৰংগজেৱৰ পুতেক আজমতৰাক ১৬৭৯ খৃষ্টাব্দত 'গুৱাহাটী দেস' এৰি দিয়ে। 'গুৱাহাটী দেস'ৰ অন্তৰ্গত বকো অঞ্চল পুনৰায় মোগলৰ হাতলৈ যায়। অৱশেষত আহোম স্বৰ্গদেউ গদাধৰ সিংহই ৰহজ্জ্চ খৃঃত বৰনদীৰ মুখত মোগলক পৰাস্ত কৰি মানাহ পৰ্যন্ত পুনৰ উদ্ধাৰ কৰাত পুনৰায় বকো অঞ্চলটো মানৰ আক্ৰমণৰ সময়লৈকে আহোমৰ অধীনত থাকে।

খৃষ্টীয় সপ্তদশ শতিকাত বকো ৰাজ্যৰ বুৰঞ্জীত সবিশেষ তথ্য পোৱা নাযায়। এই শতিকাৰ মধ্যভাগত বকো ৰাজ্যখন দুভাগ হযঃনিঝ বকো আৰু খাৰিজা বকো। নিঝ বকো ৰাজ্যত ৰজা হয় উলাপ সিং আৰু খাৰিজা বকো ৰাজ্যত ৰজা হয় দুলাপ সিং। এওঁলোক দুয়ো গাৰো জনগোষ্ঠীৰ ভাই-ককাই আছিল। এই শতিকাৰ শেষাৰ্দ্ধৰ পিনে নিঝ বকোত পুনৰায় খাছিয়া জনগোষ্ঠীৰ লোক ৰজা হয়। এওঁলোকৰ নামবোৰ এনেধৰণৰ পোৱা যায়ঃ যথাক্ৰমে উলাইত, উখেং, জীৱন সিং, উলম সিং। মানৰ আক্ৰমণৰ সময়ত বকোৰ ৰজা আছিল উলম সিং। আনহাতে খাৰিজা বকোৰ ৰজাৰ নাম জনা নাযায়। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত লুকীৰ ৰাজকোঁৱৰ উত্তৰা সিংহৰ নেতৃত্বত বকো অঞ্চলৰ বিভিন্ন সামন্তীয় ৰজাৰ পৰা পঠোৱা সৈন্যই আহোম ৰজাক সহায় কৰিছিল। এই শতিকাৰ একেবাৰে শেষৰ পিনে লুকীৰ ৰজা হৰদত্ত সিংহ গুৱাহাটীৰ ওচৰৰ খানামুখৰ পৰা বৰদুৱাৰলৈ এই অঞ্চলত থকা বিভিন্ন সামন্তীয় ৰজাক বশ কৰি

এই বিৰাট এলেকাটো নিজৰ অধীনলৈ অনা বুলি কামৰূপ বুৰঞ্জীৰ পৰিশিষ্টত উল্লেখ আছে। মোৱামৰীয়া বিদ্ৰোহ শাম কটাৰ পিছত আহোম ৰজাৰ লগত হোৱা সন্ধি অনুযায়ী লুকী ৰজাই সামন্তীয় ৰাজ্যবোৰ ঘূৰাই দিয়ে। খৃষ্টীয় অষ্টাদশ শতিকাত উলম সিঙৰ পিছত নিঝ বকো ৰাজ্যত উত্তৰা সিংহ আৰু ৰূপনাৰায়ণ নামৰ দুজন ৰজাৰ নাম পোৱা যায়। এই ৰজা দুজন ১৮২৪ খৃষ্টাব্দৰ পৰা ১৮৪১ খৃষ্টাব্দৰ ভিতৰত নিঝ বকো ৰাজ্যত ৰাজত্ব কৰে। এওঁলোকৰ পিছত বৃটিছে নিঝ বকো ৰাজ্যত গোবিন্দ সিঙক আৰু খাৰিজা বকো ৰাজ্যত আমুল সিঙক ৰজা পাতে। নিঝ বকো ৰাজ্যত গোবিন্দ সিঙৰ পিছত কোনো ৰজাৰ নাম পোৱা নাযায়। সম্ভবতঃ নিঝ বকোত ৰজ্জ্বছৰ খৃষ্টাব্দত ৰাজতন্ত্ৰৰ যৱনিকা পৰে। আনহাতে খাৰিজা বকো ৰাজ্যত আমুল সিঙৰ পিছত যতাক্ৰমে ইউৰায়, ইউচিঙ্গি, ইউচুবা, হ্যাৰিচন, আইজন আদি ৰজাৰ নাম পোৱা যায়।

বকো ৰাজ্যৰ ৰজা সকলৰ তালিকা
(খৃষ্টীয় ত্ৰয়োদশ শতাব্দীৰ পৰা অষ্টাদশ শতাব্দীলৈ)

বাকাসিং
।
আৰিমত্ত
।
আৱৰুক
এশ বছৰৰো অধিক কাল
ৰজাৰ নাম পোৱা নাযায়
।
নাৰিয়া সিং
।
গোধা সিং
।
ৰজাৰ নাম পোৱা নাযায়
।
মান সিং
প্ৰায় এশ বছৰৰ ৰজাৰ
নাম পোৱা নাযায়

| নিঝ বকো | খাৰিজা বকো |
|---|---|
| । | । |
| উলাপ সিং | দুলাপ সিং |
| প্ৰায় ৫০ বছৰ ৰজাৰ নাম পোৱা নাযায় | এশ বছৰ মানৰ ৰজাৰ নাম পোৱা নাযায় |
| । | । |
| উলাইট | আমুল সিং |
| । | । |
| উখেং | ইউৰায় |
| । | । |
| জীৱন সিং | ইউচিঙ্গি |
| । | । |
| উলম সিং | ইউচুবা |
| । | । |
| উত্তৰা সিং | হ্যাৰিচন |
| । | । |
| ৰূপনাৰায়ণ | আইজন |
| । | |
| গোবিন্দ সিং | |

(ঘ) মানৰ আক্ৰমণ কালীন বকো ৰাজ্য ঃ আহোমৰ শাসন কালত সমগ্ৰ কামৰূপখনক 'গুৱাহাটী দেস' বোলা হৈছিল। মানৰ চয় আক্ৰমণৰ সময়ত আহোম ৰজা পুৰন্দৰ সিংহ সিংহাসন চ্যুত হৈ বৃটিছ ৰাজ্য পালে। ১৮২১ খৃঃত মানৰ ৩য় আক্ৰমণৰ সময়ত মান সেনাপতি মিঙ্গি মাহা পান্দুলাই চন্দ্ৰকান্ত সিংহকো সিংহাসনৰ পৰা খেদে। চন্দ্ৰকান্ত সিংহই ১৮২১ খৃষ্টাব্দৰ মে মাহত 'গুৱাহাটী দেস্' দখল কৰে। এই বছৰৰে ছেপ্তেম্বৰ মাহত পুৰন্দৰ সিংহই 'গুৱাহাটী দেস্' দখল কৰে। চন্দ্ৰকান্ত সিংহই পৰাস্ত হৈ বৃটিছ ৰাজ্যত আশ্ৰয় গ্ৰহণ কৰে। ১৮২২ খৃঃৰ জানুৱাৰী মাহত চন্দ্ৰকান্ত সিংহই পুনৰ 'গুৱাহাটী দেস্' দখল কৰে। আহোমৰ দুই ভঙা ৰজাৰ অৰিয়া অৰি চলি থকা সময়ত মান সেনাপতিয়ে 'গুৱাহাটী দেস্' দখল কৰি লয় আৰু সমগ্ৰ অঞ্চলটোত মান সৈন্যক লুটপাত কৰিবলৈ লগাই দিয়ে। ১৮২২খৃঃৰ আগষ্ট মাহত মান সৈন্যই বকো অঞ্চলত প্ৰবেশ কৰি অবৰ্ণনীয় অত্যাচাৰ আৰম্ভ কৰে। বনগাঁওৰ ৰজা আবেয়া চিং আৰু বকোৰ ৰজা উলম সিঙে সন্মিলিত ভাৱে মানৰ আক্ৰমণ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰে। ঢোলমাৰা পাহাৰৰ নামনিত মানৰ লগত বকো-বনগাঁও ৰাজ্যৰ সন্মিলিত বাহিনীৰ যুদ্ধ হয়। যুদ্ধত মান সেনা জয়ী হৈ ৰাজাপুৰা গড় (বৰ্তমান বৰ্ম্যপুৰ শিৱ মন্দিৰৰ ওচৰত) অভিমুখে আগবাঢ়ে। ৰাজাপুৰা গড়ৰ ৰণত সন্মিলিত বাহিনী পৰাস্ত হোৱাত মান সৈন্যই ওচৰৰ গাঁও-ভূঁইত সোমাই

অবৰ্ণনীয় অত্যাচাৰ আৰম্ভ কৰে। সৰ্ব-সাধাৰণ মানুহ প্ৰাণৰ ভয়ত হাবি-বননি, পাহাৰত আশ্ৰয় ল'লে। মান সৈন্যই খাটল পাৰা গাঁৰখন উচ্ছন্ন কৰি ইয়াত থকা বিষহৰী থানখনত অপবিত্ৰ কাৰ্য সংঘটিত কৰে। এই ঘটনাই জনজাতীয় লোকসকলৰ ভাবাৱেগত চৰম আঘাত দিয়ে ; সন্দেহ ডাকুৱা আৰু সনসিং ডাকুৱাৰ নেতৃত্বত বকো, বনগাঁও, বগাই ৰাজ্যৰ পুৰুষ-মহিলা নিৰ্বিশেষে অগণন লোক চাৰিও পিনৰ পৰা মান সৈন্যক ঘেৰি ধৰি মানক কচু কটা দিলে। এই ঠাইখন মান কটা বাকাৰা বুলি আজিও জনাজাত। যি দুই চাৰিজন মান সেনা ওচৰৰ হাবিত লুকাই আত্মৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল, তেওঁলোককো বিচাৰি উলিয়াই কাটিলে। এই ঠাইখিনিক আজিও বাঙাল কাটা বোলে। জনৰোষত পৰি মানসেনা সমুলঞ্চে বিনাশ হ'ল। মানৰ অপ্ৰতিৰোধ্য গতিক ৰোধ কৰাৰ এনে উদাহৰণ বুৰঞ্জীত বিৰল। বকো-বনগাঁও অঞ্চলৰ বিভিন্ন গাঁৱত এই যুদ্ধৰ ঢাল-তৰোৱাল আজিও দেখিবলৈ পোৱা যায়। মানৰ লগত হোৱা সন্মিলিত বাহিনী ৰাজাপুৰা গড়ৰ ৰণত বকোৰ ৰজা উলম সিং আৰু বনগাঁওৰ ৰজা আবেয়া সিং নিহত হয় অথবা পলাই খাছিয়া পাহাৰলৈ যায়। এই ঘটনাৰ পিছত যিবোৰ মানসেনা আহিল, সিহঁতে বকো অঞ্চলৰ গাঁও-ভূঁইত ১৮২৪ খৃঃৰ ফেব্ৰুৱাৰী মাহলৈকে অবৰ্ণনীয় অত্যাচাৰ কৰাৰ ফলত এই অঞ্চল জনশূণ্য হৈ পৰিল।

(ঙ) বৃটিছ কালীন বকো ৰাজ্য ঃ ১৮২৪ খৃঃৰ ফেব্ৰুৱাৰী মাহত কেপ্তেইন স্লেয়দৰ নেতৃত্বত এদল বৃটিছ সৈন্যই ডাঠ হাবি-বননি, ঝাৰণি, জলাতন ঠাই, পাহাৰ আদিত লুকাই থকা মান সৈন্যক বিচাৰি উলিয়াই বকো অঞ্চলৰ পৰা খেদি পঠিয়ায় আৰু মানৰ কবলৰ পৰা লুকী, বকো, বনগাঁও, বগাই, পাণ্টান আদি ৰাজ্য উদ্ধাৰ কৰে। এই কাৰ্যত বৃটিছক সহায় কৰা ব্যক্তিজন হ'ল- মেঘ নাৰায়ণ দেৱান নামৰ এজন গোৱালপাৰাৰ লোক। পিছলৈ বৃটিছে এওঁক বকোত যথেষ্ট ভূ-সম্পতি দান কৰিছিল। (বৰ্তমানৰ বকো নদীৰ পশ্চিম পাৰে ৩৭ নং ৰাষ্ট্ৰীয় পথৰ উত্তৰত অৱস্থিত ৰায়পাৰা আৰু বেলপাৰাৰ সীমালৈকে 'দেৱানৰ মাটি' বুলি জনাজাত আছিল।) বৃটিছ সৈন্যই দক্ষিণ পাৰেদি গুৱাহাটীলৈ আগবঢ়াত পথ প্ৰদৰ্শক আছিল এই মেঘ-নাৰায়ণ দেৱান। এই বছৰৰে ২৮ মাৰ্চ তাৰিখে কেপ্তেইন স্লেয়দে সম্পূৰ্ণ 'গুৱাহাটী দেস' মানৰ হাতৰ পৰা মুক্ত কৰে। ১৮২৫ খৃঃৰ এপ্ৰিল মাহত বৃটিছ চেক্ৰেটাৰী চুইণ্টন চাহাবে কৰ্ণেল ৰিচাৰ্ড আৰু ডেভিদ স্কটক এক নিৰ্দেশ জাৰি কৰে। সেই নিৰ্দেশ মতে তেওঁলোক উভয়ে সমগ্ৰ অসমত বৃটিছ শাসন প্ৰৱৰ্তনৰ অৰ্থে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। ইয়াৰ ফলস্বৰূপে সেই বছৰৰ ১৭ মে তাৰিখে সমগ্ৰ অসমখনক তিনিটা প্ৰশাসনীয় খণ্ডত বিভক্ত কৰি দুখন জিলা পাতে। নামনি অসম জিলাক চিনিয়ৰী মোতালেক বুলিছিল। ডেভিদ স্কট চাহাব ইয়াৰ প্ৰশাসক নিযুক্ত হয়। ডেভিদ স্কটে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ১৮২৫ খৃঃত ছমৰীয়াত প্ৰথম থানা পাতি ইয়াত এদল সৈন্য ৰাখে আৰু এই থানাৰ অধীনত নিম্নলিখিত ঠাই সমূহত বৃটিছ শাসন প্ৰৱৰ্তনৰ যোজা কৰে। ছমৰীয়া থানাৰ অন্তৰ্গত ঠাই সমূহৰ নাম এনেধৰণ -

| পৰগনীয়া অঞ্চল | দুৱাৰ অঞ্চল |
|---|---|
| ১। পৰগণা নগুৰবেৰা | ১। দুৱাৰ লুকী |
| ২। পৰগণা বেকেলী | ২। দুৱাৰ বকো |
| ৩। পৰগণা চামুৰীয়া | ৩। দুৱাৰ বনগাঁও |
| ৪। পৰগণা বাঢ়ন্তি | ৪। দুৱাৰ বগে |
| ৫। পৰগণা ছয়ানী | ৫। দুৱাৰ ছয়গাঁও |
| ৬। পৰগণা দক্ষিণ সৰু বংশৰ | ৬। দুৱাৰ পাণ্টান |
| | ৭। দুৱাৰ বৰদুৱাৰ |
| | ৮। দুৱাৰ ভোলাগাঁও |
| | ৯। দুৱাৰ মৈৰাপুৰ |
| | ১০। দেশ ৰাণী |

এই সময়তে ডেভিদ স্কটে প্ৰথম অসম চিবুণ্ডী কৰ্পচ (1st Assam Sebundy Corps) নামৰ এদল সেনা বাহিনী গঠন কৰে। এই সেনা বাহিনীত ওপৰোক্ত অঞ্চল সমূহৰ ৰাভা, কছাৰী, গাৰো আদি জনজাতীয় যুৱকসকলক তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে জোৰ পূৰ্বক নিয়োগ কৰা হৈছিল। বকো অঞ্চলত সিন্ধুৰাজ চৌধুৰী নামৰ ডেভিদ স্কটৰ এজন বিশ্বস্ত লোকে এই ক্ষেত্ৰত আগভাগ লৈছিল। ইয়াৰ পিছৰ বছৰত অৰ্থাৎ ১৮২৬ খৃঃৰ অক্টোবৰ মাহত ভাৰত চৰকাৰৰ অনুমোদন সাপেক্ষে ছমৰীয়াত এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল।

ডেভিদ স্কট বিভিন্ন ঠাইত যাতায়ত কৰিবলগীয়া হোৱাত তেওঁৰ ঠাইত বিৰিমফিন চাহাব গুৱাহাটীত প্ৰশাসক নিযুক্ত হয়। বিৰিমফিন চাহাবৰ পিছত-যথাক্ৰমে মুৰে হোৱাইট আৰু মেথিউ চাহাব গুৱাহাটীত প্ৰশাসক নিযুক্ত হয়। মেথিউ চাহাব গুৱাহাটীৰ প্ৰশাসক নিযুক্ত হৈ থকা সময়তে ১৮২৯ খৃঃৰ ১৪ অক্টোবৰ

তাৰিখে ৰামৰায়ৰ ৰজা জব্বুৰ সিঙৰ লগত ডেভিদ স্কটৰ এখন চুক্তি হয়। এইখন চুক্তিত বৃটিছ চৰকাৰৰ হৈ ডেভিদ স্কটে আৰু ৰামৰায় পাণ্টান আৰু বগাইৰ ৰজা হিচাপে জব্বুৰ সিঙে চহী কৰিছিল। বকো অঞ্চলৰ কোনো সামন্তীয় ৰজাৰ চহী ইয়াত নাই। এই চুক্তিখনে বকো অঞ্চলৰ সামন্তীয় ৰাজ্যবোৰৰ স্বাধীনতা- ৰবি চিৰদিনৰ বাবে অস্তমিত কৰিলে। এই চুক্তি হোৱাৰ পিছত বৃটিছে বনগাঁও (বৰ্তমান বকো এম.ভি.স্কুল থকা ঠাই) বগাই আৰু পাণ্টানত তিনিখন থানা আৰু ৰাজহ কাৰ্যালয় পাতি প্ৰতিখন ঠাইত এদল সৈন্য বাহিনী ৰাখে আৰু ছমৰীয়া থানা তুলি দিয়ে। বনগাঁও, বগাই আৰু পাণ্টানত থকা থানা আৰু ৰাজহ কাৰ্যালয় পাতি পাণ্টান, বনগাঁও, বকো আৰু লুকীৰ মাজেৰে বৰ্তমান ৩৭ নং ৰাষ্ট্ৰীয় পথ নিৰ্মাণৰ জৰীপ কাৰ্যও আৰম্ভ কৰে। বৃটিছৰ এনে কাৰ্যত স্থানীয় লোকসকলে বাৰুকৈয়ে অসন্তুষ্ট হৈছিল। তলে তলে সশস্ত্ৰ বিপ্লৱৰ অগণি জ্বলি উঠিল। ফলস্বৰূপে ১৮৩১ খৃঃৰ জানুৱাৰীৰ ৩ তাৰিখে সমগ্ৰ দক্ষিণ কামৰূপৰ ভিতৰতে সৰ্ব প্ৰথম বকো-বনগাঁও অঞ্চলত প্ৰথম স্বাধীনতা বিপ্লৱে আত্মপ্ৰকাশ কৰিলে আৰু একে নিশাৰ ভিতৰতে বনগাঁও, বগাই, পাণ্টানত থকা বৃটিছৰ থানা-ৰাজহ কাৰ্যালয় জ্বলাই দিয়ে আৰু বৃটিছ সেনাক হত্যা কৰে। এই ঘটনাকে পেম্বাৰটন চাহাবে বৃটিছৰ বিৰুদ্ধে "এক সাংঘাটিক আক্ৰমণ" বুলি তেওঁৰ প্ৰতিবেদনত উল্লেখ কৰিছে। অৱশ্যে ডেভিদ স্কটে 'মণিপুৰ লাইট ইনফ্ৰেণ্টি' নামৰ সৈন্য বাহিনী আনি কঠোৰ হস্তে এই বিদ্ৰোহ দমন কৰে আৰু এই বছৰে ফেব্ৰুৱাৰী মাহত বকো, বনগাঁও, বগাই আৰু পাণ্টানত বৃটিছ শাসন নিকপকপীয়া কৰি তোলে আৰু ৰজ্জুচ খৃঃত ছয়গাঁও থানা আৰু নগৰবেৰা উপ আৰক্ষী চকী পাতি সমগ্ৰ বকো অঞ্চল ছয়গাঁও থানাৰ অধীনলৈ আনে। ১৮৩১ খৃঃৰ আগষ্ট মাহত ডেভিদ স্কটৰ মৃত্যু হোৱাৰ পিছত কেৰিকাৰ্পট চাহাব (croccroft) গুৱাহাটীৰ প্ৰশাসক নিযুক্ত হয়। কেৰিকাৰ্পট চাহাবৰ পিছত ১৯৩৪ ইং চনৰ জানুৱাৰী মাহত ৰবাটচন চাহাব গুৱাহাটীলৈ আহে। এওঁৰ দিনত নামনি অসমখন তিনিখন জিলাত বিভক্ত হয় ; কামৰূপ, দৰং আৰু নগাঁও। অসম কায়দাবন্দী নামৰ বিধি প্ৰণয়ণ কৰি বৃটিছে এই জিলাবোৰ শাসন কৰিবলৈ ধৰে। ১৯৩৪ খৃঃত কেপ্টেইন আৰচিবাল্ড বগল্চ কামৰূপ জিলাৰ প্ৰথম সাধনিদাৰ (Collector) নিযুক্ত হয়। এই বাগল্চ চাহাবে সমগ্ৰ বকো অঞ্চলটো জৰীপ কৰি (১৯৩৪-৩৬) ইয়াৰ প্ৰশাসনীয় নীতিত আমুল পৰিবৰ্তন সাধে। এনেদৰে বৃটিছ শাসন প্ৰৱৰ্তন হোৱাৰ পিছত সমগ্ৰ বকো অঞ্চলৰ সামন্তীয় ৰাজ্য, ৰাজ্যৰ নাম, ৰাজ্যৰ আয়তন, গাঁৱৰ সংখ্যা, জনসংখ্যা আৰু বৃটিছে আদায় কৰা ৰাজহৰ পৰিমাণ আছিল এনেধৰণৰঃ

| ৰাজ্যৰ নামৰ চক্ৰৰ নাম | ৰজাৰ নাম/ বিষয়াৰ নাম | ৰাজ্যৰ আয়তন | গাঁৱৰ সংখ্যা | জনসংখ্যা | ৰাজহৱ পৰিমাণ টকা | অনা | পাই |
|---|---|---|---|---|---|---|---|
| নিঝ বকো | গোবিন্দ সিং ৰাজা | ৮৯.৪৯ একৰ/ ১৯.৯৮ বৰ্গমাইল | ১৯ | ২১১০ | ১৮৭০ | ১৪ | ১ |
| খৰিজা বকো | আমুল সিং ৰাজা | ৩৯.৭৬ একৰ/ ৬.১৯ বৰ্গমাইল | ১৯ | ১৯৬৩ | ১৮৫১ | ১২ | ০ |
| বনগাঁও | মহীনাৰায়ণ সিং ৰাজা | ৮৮.৬৬ একৰ/ ১৩.৮৫ বৰ্গমাইল | ৩৯ | ২৯১৭ | ৩৩৪৭ | ১ | ১ |
| বগাই | খুণ্ডা সিং ৰাজা | ১১১.৪৯ একৰ/ ১৭.৪৯ বৰ্গমাইল | ২৮ | ২২৭৯ | ১৮৬৩ | ১৫ | ২ |
| লুকী | মহদণ্ড সিং ৰাজা | ৪৮৯.৬৫ একৰ/ ৭৬.৪০ বৰ্গমাইল | ২৫ | ৯২৬৬ | ৮০০০ | ৩ | ৮ |
| বেকেলী | সিন্ধুৰাজ চৌধুৰী | ৫০০০ একৰ/ ৭.৮১ বৰ্গমাইল | ১২ | ১৪৮৪ | ২৩৫২ | ১০ | ১০ |

সদৌ শেষত ক'ব লাগিব যে সমগ্ৰ বকো অঞ্চলৰ পাহাৰ-ভৈয়ামত সিঁচৰিত হৈ থকা অসংখ্য শৈলস্তম্ভ (থিয়কৈ পুতি থোৱা দীঘল শিল), তাৰ ওচৰত অৱস্থিত শৈলস্তুপ (পথালিকৈ পেলাই থোৱা চেপেটা শিল), বিভিন্ন তৰহৰ শৈল চিহ্ন, শিলেৰে বন্ধোৱা ঘৰৰ ভেটি, পুখুৰীৰ পাৰ, ৰাস্তা, সুৰঙ্গ পথ, শিলত কটা চক্ৰ, বিভিন্ন জীৱ-জন্তুৰ মূৰ্ত্তি, ফুলৰ নক্সা, শিলেৰে তৈয়াৰী কলহ, কুকুৰ আদিৰ মূৰ্ত্তি, শিলৰ খুটা আদি শৈল ভাস্কৰ্য (stone sculpture) প্ৰকৃতিৰ নীৰৱ-নিস্তব্ধ পৰিবেশৰ ধ্বংসস্তুপৰ মাজত আজিও ইয়াৰ অলিখিত ইতিহাস পোহৰৰ অপেক্ষাত বিৰাজমান। তাৰোপৰি এই ধ্বংসস্তুপবোৰৰ মাজত পোৱা মাটিৰ বাচনৰ টুকুৰা, বিশেষ ধাতব পদাৰ্থ মিহলি কৰি প্ৰস্তুত কৰা বিশেষ ধৰণৰ ইটা আজিও মাটি খান্দিলে ওলায়। ভগৱান বুদ্ধই শিষ্যসকলৰ কাৰণে ৫ বিধ ঘৰ অনুমোদন কৰিছিলঃ বিহাৰ, অৰ্ধযোগ, প্ৰসাদ, হৰ্ম্য আৰু গুহা। গুহাও এবিধ বাসগৃহ। বকো অঞ্চলৰ বিভিন্ন পাহাৰত অৱস্থিত গুহা, শিলেৰে নিৰ্মিত সুৰঙ্গপথ আৰু কেইবা কোঠাযুক্ত গুহাও বিদ্যমান। এই গুহাবোৰ খৃঃপূঃ সময়ৰ আগৰ। অষ্ট্ৰিক আৰু মঙ্গোলীয় লোকসকল বকো অঞ্চললৈ আগমন কৰা সময়ত সৃষ্টি হোৱা এই গুহাবোৰৰ শৈলভাস্কৰ্য, স্থাপত্যশিল্পৰ স্থায়ী স্মৃতিচিহ্ন, বকোৰ আশে পাশে থকা নধীয়াপাৰা পাহাৰ, পাৰ্বতী পাহাৰ, লান্দু ঘাগৰি পাহাৰ, ঢোলমাৰা পাহাৰ, চুনৰীয়া পাহাৰ, বৰুৱা পাহাৰ, যমদুৱাৰ পাহাৰ আদি পাহাৰত থকা শৈলভাস্কৰ্য, স্থাপত্যশিল্প আৰু কিনানগাওঁ, খটখটি, ছমৰীয়া, মালীবাৰী অঞ্চলত থকা পোৰামাটিৰ ভাস্কৰ্য (Terracotta] আদিৰ বিজ্ঞান সন্মত অধ্যয়ন আৰু বিশ্লেষণ হলে কামৰূপী স্থাপত্য ভাস্কৰ্যৰ এক নতুন দিগন্ত উন্মোচন হ'ব। এই ক্ষেত্ৰত অসম তথা ভাৰত চৰকাৰৰ প্ৰত্নতাত্ত্বিক, পুৰাতাত্ত্বিক বিভাগৰ দৃষ্টি আকৰ্ষণ কৰাৰো প্ৰয়োজন আছে। এনে প্ৰচেষ্টাই প্ৰাচীন বকো ৰাজ্যৰ অলিখিত সামাজিক, সাংস্কৃতিক, নৃতাত্ত্বিক, ৰাজনৈতিক, অৰ্থনৈতিক ক্ৰমবিকাশৰ ইতিহাস সমৃদ্ধতৰ কৰিব।

<u>সহায়ক গ্ৰন্থপঞ্জী</u>


কোচ- বেহাৰৰ ইতিহাস - খান চৌধুৰী আমানতুল্লা আহমেদ

কোচ- ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি - শ্ৰীঅম্বিকাচৰণ চৌধুৰী

বাৰভূঞাৰ চমু বুৰঞ্জী - নকুল চন্দ্ৰ ভূঞা

ইতিহাসে সোঁৱৰা ছশটা বছৰ - সৰ্ব্বেশ্বৰ ৰাজকুমাৰ

অসমীয়া জাতিৰ ইতিবৃত্ত - অসম সাহিত্য সভা

ছয়গাঁঞা ইতিহাসৰ ৰেঙনি- ড° জিতেন দাস

লুকীৰ ইতিবৃত্ত - শ্ৰীবীৰেন ৰাভা

অসম বুৰঞ্জী - পদ্মনাথ গোহাঞি বৰুৱা

অসম বুৰঞ্জী - ড° লক্ষ্মী দেৱী

দেওধাই অসম বুৰঞ্জী - ড° সূৰ্য্য কুমাৰ ভূঞা

সাতসৰী অসম বুৰঞ্জী - ড° সূৰ্য্য কুমাৰ ভূঞা

কামৰূপৰ বুৰঞ্জী - ড° সূৰ্য্য কুমাৰ ভূঞা

কছাৰী বুৰঞ্জী - ড° সূৰ্য্য কুমাৰ ভূঞা


<u>সহায়ক প্ৰবন্ধ</u>


১। বকোৰ অতীত সোঁৱৰণী চ'ৰা - শ্ৰীকাতিৰাম ৰাভা

২। মোগল আক্ৰমণৰ পটভূমিত ঐতিহাসিক বকো বৰদুৱাৰ অঞ্চল -শ্ৰীৰমেশ কলিতা, স্মৃতিগ্ৰন্থ, কামৰূপ সাহিত্য পৰিষদৰ বকো অধিবেশন-১৯৭৩

৩। দক্ষিণ কোলৰ ওঠৰ ৰজা- শ্ৰীঅতুল চৌধুৰী, কামৰূপা, ১৯৯৭-৯৮


কৃতজ্ঞতা স্বীকাৰ


১। স্বৰ্গীয় বাহুৰাম ৰাভা (ডাকুৱাপাৰা, বকো)

২। স্বৰ্গীয় বিপিন চন্দ্ৰ ডাকুৱা (খাটলপাৰা)

৩। স্বৰ্গীয় যোগেন বড়ো (জোঙাখুলি)

৪। স্বৰ্গীয় বিক্ৰম দাস (পাখাৰাপাৰা)

৫। বেলোৰাম বড়ো (জোঙাখুলি)

৬। স্বৰ্গীয় আনন্দি ৰাভা (বাটাকুছি)

৭। শ্ৰীমোহন ৰাভা (খটখটি)

৮। শ্ৰীমলেশ্বৰ ৰাভা (খটখটি)

৯। কামেশ্বৰ বড়ো (চক্ৰপাণি)

১০। ৰাজেন দাস (চক্ৰপাণি)

১১। শ্ৰীভূৱনেশ্বৰ চাংমা (কিনানগাঁও)

১২। শ্ৰীলিম্বাৰচন চাংমা (কিনানগাঁও)

১৩। শ্ৰীগৌৰী কান্ত ৰাভা (নধিয়াপাৰা)

১৪। গোলোক কলিতা (পানেৰী)

১৫। শ্ৰীপ্ৰদীপ কলিতা (নৰপুৰ)

১৬। শ্ৰীনন্দেশ্বৰ ৰাভা (দুৱাপাৰা)

১৭। শ্ৰীভূঞাৰাম ৰাভা (দুৱাপাৰা)

১৮। কেশৱ ৰাভা (ডাকুৱাপাৰা)

১৯। শ্রীত্রৈলোক্য দাস (ডাকুৰাপাৰা)
২০। শ্রীহংসধৰ চৌধুৰী (খলিহা)
২১। শ্রীৰজনী ৰাভা (দাখিলীপাৰা)
২২। শ্রীচক্র বাহাদুৰ চেত্রী (লাম্পী)
২৩। শ্রীপূর্ণ চৌধুৰী (ৰায়পাৰা)
২৪। শ্রীহেমচন্দ্র চৌধুৰী
২৫। শ্রীথজেন ৰাভা (ৰম্যপুৰ)
২৬। শ্রীভীষ্ম দৈমাৰী (ৰাজাপাৰা)


## English


1. Early History of Kamrup - Rai Bahadur Kanaklal Baruah.
2. History of the civilization of the people of Assam to the 12th Century A.D. - Dr. P.C. Choudhury.
3. The mother Goddess Kamakhya- Dr. B.K. Kakati
4. History of Assam- Sir Edward Gait
5. Koch kings of Assam- Sir Edward Gait
6. Assam under the Ahom Rule- U.N. Gohain
7. Imperial Gazzatte of the India- East Bengal and Assam
8. Mediavel History of Kamrup - N.N. Acharjya
9. The Garos- Majar A. plawfair
10. Social history of Kamrup.
11. Eastum Frontier of British India- Capt. R.B. Pamberton.
12. Report on the province of Assam- A.J. Moffat Mills
13. Statical Accounts of Assam- W.W. Hunter
14. Tribes of the Brahmaputra Valley- L.A. Wadel
15. Baharistan - 1- Ghaibi, Tranlated by Dr. M.I. Bara.
16. Descriptive Accounts of Assam- W. Robinson.


## সহায়ক আলোচনী


১। স্মৃতিগ্রন্থ, আগলতি, অসম সাহিত্য সভা - দুধনৈ অধিবেশন- ১৯৯১
২। স্মৃতিগ্রন্থ, বগেজাৰী, ৰাভা হাছং সুৰক্ষা পৰিষদয ৰম বার্ষিক অধিবেশন
৩। স্মৃতিগ্রন্থ, বকো উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী- ১৯৯১
৪। স্মৃতিগ্রন্থ, বকো সার্ব্বজনীন দুর্গোৎসৱ সোণালী জয়ন্তী সমাৰোহ- ২০০০
৫। স্মৃতিগ্রন্থ, বকো-বনগাঁও আঞ্চলিক ৰাভা জাতীয় পৰিষদৰ খেনাপাৰা অধিবেশন


পুনৰ মুদ্রিত

# স্বাধীনতা আন্দোলনত বকো অঞ্চলৰ ভূমিকা

কাতিৰাম ৰাভা
বকো

**পটভূমি ঃ**

"অতীত মৰহি গ'ল তাৰ কথা অন্ত হ'ল'ঃএই কথাফাঁকিয়ে যদিও বহুতৰ অন্তৰত বিস্মৃতিৰ কলা-ধূসৰ আ ৱৰণ ঢাকি দিয়ে তথাপি মৰ্দ্দিত, জৰ্জ্জৰিত, উৎপীড়িত তাপিত আৰু অবচেতনাৰে আন্দোলিত জনতাৰ হিয়াত অতীতৰ দুখ আৰু কৰুণ স্মৃতিয়ে বাৰুকৈয়ে আমাৰ অন্তৰত সাচ বহুৱায়। এনে চিৰমূৰ্ত্ত ঘটনা বিজৰিত মন আৰু অন্তৰ স্পৰ্শী স্মৃতিয়ে কবি সাহিত্যিক সকলৰ দৰদী হিয়াত থৌকি বাথৌ-লগায় আৰু ভাবোদ্ৰেক হৈ লিখনিৰ দ্বাৰা আত্ম প্ৰকাশ কৰে। তেতিয়াই লোকোত্তৰ আনন্দৰ বাবে সাহিত্যৰ ৰূপ পৰিগ্ৰহ কৰে। বিবিধ ফল-ফুলৰ ৰূপ ৰস-গোন্ধে মানুহৰ অন্তৰত আনন্দ দিয়ে। সেই দৰে সাহিত্য ফুলনিত প্ৰস্ফুতিত কবিতা, গল্প, ৰম্য ৰচনা, ঐতিহাসিক বৰ্ণনাই পাঠকৰ অন্তৰত আনন্দ দিয়ে। সাহিত্যৰ এই আহলাদিনী সৃষ্টিয়ে মানৱ জাতিৰ কৃষ্টি-সংস্কৃতি।

পৰাধীনতাৰ কালছোৱাত ভাৰত বাসীয়ে বিদেশী শাসক গোষ্ঠীৰ হাতত যি লাঞ্চনা, উৎপীড়ন আৰু লগতে পৰাধীনতাৰ গ্লানি ভোগ কৰিলে সেয়ে দেশ বাসীৰ অন্তৰত গভীৰ সংঘাত আনিলে। জনগণৰ অন্তৰত বিদ্ৰোহৰ, ক্ষোভৰ দাবানল জ্বলি উঠিল। দেশৰ নগৰে-চহৰে, গাৱে-ভূঁঞে বিপ্লৱৰ পচোৱা বেগেৰে সঘনাই ববলৈ ধৰিলে। এই বিপ্লৱৰ পচোৱা ১৯২১ চনৰে পৰা বৈ আহি ১৯৪২ চনৰ আগষ্ট মাহত দুৰ্নিবাৰ হৈ পৰিল। ১৯৪২ চনৰ আগষ্ট মাহত ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাই ভাৰত ত্যাগ প্ৰস্তাব দৃঢ়তাৰে ললে। ইয়াৰ লগে লগে ভাৰতীয় জনগণৰ অন্তৰত বিপ্লৱৰ জুই দাউ দাউকৈ জ্বলি উঠিল। এনে ক্ষণতে দেশৰ বিপ্লৱৰ বাৰ্তাবাহক, মুক্তি সংগ্ৰামৰ নায়ক মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, আজাদ-পেটেল প্ৰমুখ্যে নেতাসকলক বোম্বাইত গ্ৰেপ্তাৰ কৰা হ'ল। ইয়াৰ প্ৰতিক্ৰিয়া দেশ ব্যাপি হ'ল। জনতাৰ অন্তৰত গণ আন্দোলনৰ ঢৌ উঠিল। এই ঢৌৰে অসমৰ জনগণৰ অন্তৰ-স্পৰ্শ কৰিলে আৰু জনজাগৰণে থৌকি বাথৌ লগালে। ইতিপূৰ্বে মণিৰাম-পিয়লিৰ ফাঁচিৰ কৰুণ স্মৃতিয়ে অসমৰ ৰাইজৰ অন্তৰত গভীৰ দুখ বহন কৰি আহিছিল। তাতে আকৌ স্বাধীনতা আন্দোলনৰ আহ্বান পাই অসমৰ জনগণ আন্দোলনত জপিয়াই পৰিল। ইয়াৰ আগতে ১৯২৯ চনত হোৱা পাণ্ডু কংগ্ৰেছে অসমৰ ৰাইজক দেশৰ স্বাধীনতাৰ বাবে উদ্বুদ্ধ কৰি ৰাখিছিল। সেই সময়ত অসমৰ নেতা তৰুণ ফুকন, নবীন বৰদলৈ, চন্দ্ৰ শৰ্মা প্ৰমুখ্যে অসমৰ ৰাইজৰ স্বাধীনতাৰ বাণী শুনাই আহিছিল। এই অমোঘবাণী অসমৰ গাৱে ভূঞে চুকে কোণে প্ৰচাৰ হৈ আহিছিল। গাঁৱৰ ধনী দুখীয়া হালোৱা হজুৱা শ্ৰমিক বনুৱা সকলোৱে এই স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল। দেশৰ হৃত স্বাধীনতা মহাজ্যোতি দেখিবলৈ দেশৰ হালোৱা হজুৱা শিক্ষিত অশিক্ষিত সকলোৱে উদ্বেলিত হৈ পৰিছিল।

**বকোত গণ-আন্দোলনৰ ঢৌ -**

কংগ্ৰেছৰ স্বাধীনতাৰ অমোঘ বাণী পাণ্ডু কংগ্ৰেছ অধিবেশনত বকোৰ বহুজন লোকে শুনি উদ্বুদ্ধ হৈ পৰিছিল। এই সভাত যোগদান কৰিছিল এই অঞ্চলৰ স্বৰ্গীয়সকল, বিপিন ডাকুৱা (খাটলপাৰা), মেমেৰা গাওঁবুঢ়া (আগছিয়া), পাহিৰাম গাওঁবুঢ়া (বাটাকুছি), নিদান ৰাভা (বাক্ৰাপাৰা), গাৰো গাওঁবুঢ়া (কেন্দুগুৰি), পুনিৰাম মহাজন (টাঙাবাৰী), হেণ্ডেলা ৰাভা (ডাকুৱাপাৰা), পৃথুৰাম মহাজন (কুমাৰপাৰা), অমৰসিং ৰাভা (শিংৰা-দিৰমা), চানাৰাম মহাজন (শিংৰা), তিখু ৰাম দাস (শাখাতি) প্ৰমুখ্যে আৰু বহুজন।

পাণ্ডু কংগ্ৰেছৰ পিচত ১৯৩০-৩৪ চনত কংগ্ৰেছ অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে বকোৰ কেইবাজনো কৰ্মীয়ে বকো

অঞ্চলত অবিৰাম গতিত কাম কৰে। তাৰ ভিতৰত শ্ৰীনবীন চন্দ্ৰ কলিতা, স্বৰ্গীয়সকল- উদয় চন্দ্ৰ ৰাভা, উমা চৰণ দাস, পূৰ্ণ চন্দ্ৰ দাস, স্বৰ্গীয় মঃ পপৰা চেখ, মঃ বচিৰ আলী মণ্ডল আৰু বহুজনে কংগ্ৰেছৰ কামত লাগি থাকে। কংগ্ৰেছৰ কামত যোগদান কৰা স্বেচ্ছাসেৱক (ভলণ্টিয়াৰ) সকলক পুলিচে ধৰি আনি শাস্তি বিহিছিল। সেই সময়ৰ বৃটিছ ডেপুটি কমিছনাৰ বেণ্টিং চাহাবে কংগ্ৰেছ কৰ্মীসকলক ধৰি আনি বকো নদীৰ পানীত নমাই লৈ শাস্তি দিছিল; বেত্ৰাঘাট কৰি কৰি কংগ্ৰেছ কৰিব নে নকৰিব প্ৰশ্ন কৰি বেত দিছিল। ৰাজহুৱাভাৱে সভা সমিতি পতা বে-আইনী ঘোষণা কৰিছিল। সেয়ে এই অঞ্চলৰ স্বাধীনতা প্ৰেমী, কংগ্ৰেছ কৰ্মীসকলে নামঘৰ, গোঁসাইঘৰ, মজজিদ, আদি ঘৰত বহি স্বাধীনতাৰ আন্দোলনৰ বিষয় আলোচনা কৰিছিল। তাতো বৃটিছৰ চোৰাংচোৱা বিভাগৰ দ্বাৰা গোপন সূত্ৰ পাই বৃটিছৰ পুলিচ বাহিনীয়ে আহি সমবেত ৰাইজক চত্ৰভঙ্গ কৰিছিল আৰু মাৰধৰ কৰিছিল। হিন্দু মুছলমান একেলগে বহি নামঘৰত নামধৰা অৱস্থাত দেখি বেণ্টিং চাহাবে ধমক দি সুধিছিল, মুছলমান সকলেও হিন্দুৰ নামঘৰত নাম ধৰে নেকি। শেষত সভাভঙ্গ কৰিবলৈ বাধ্য কৰিছিল। বৃটিছৰ এনে চোকা নজৰত কোপ-দৃষ্টিত পৰি বকোৰ ৰাইজে বহু জীয়াতু ভূগিব লগাত পৰিছিল। কংগ্ৰেছৰ ভলণ্টিয়াৰক পুলিচে বন্দুকেৰে খুণ্ডিয়াই, বুট জোতাৰে গোৰমাৰি, চোৰভুকু, মাৰি অশেষ নিৰ্যাতন কৰিছিল। বৃটিছৰ এনে নিৰ্যাতন, অত্যাচাৰকো এই বকো অঞ্চলৰ ৰাইজে হাঁহিমুখে সহ্য কৰি গৈছিল। সেই সময়ত চৰকাৰী চাকৰি কৰা পণ্ডিত, মণ্ডল, ফৰেষ্টাৰ, গাৰ্ড, গাওঁবুঢ়া সকলে স্বেচ্ছায় নিজ নিজ চাকৰি এৰি কংগ্ৰেছৰ কামত আত্ম নিয়োগ কৰিছিল। চৰকাৰী চাকৰি এৰি দিয়া সকলৰ ভিতৰত স্বৰ্গীয়সকল- পূৰ্ণ চন্দ্ৰ দাস (ফৰেষ্টাৰ), উমাচৰণ দাস (পোষ্টমাষ্টাৰ), গৌৰী কলিতা (মণ্ডল), যজ্ঞ কলিতা (মণ্ডল), মঃ বছিৰ আলি আহমেদ (মণ্ডল), বছিৰ ফৰেষ্টাৰ, গোন্ধ ৰাভা (ফৰেষ্ট গাৰ্ড), গৌৰী ডাকুৱা আদিয়ে প্ৰধান। চৰকাৰী গাওঁবুঢ়াসকলৰ ভিতৰত চাকৰি এৰি দিছিল। কেন্দুগুৰি গাঁৱৰ গাৰো গাওঁবুঢ়া (এই লিখকৰ আতা)।

আজি সেইসকল লোক আমাৰ মাজত নাই। আমালৈ এৰি গৈছে। ত্যাগৰ, সাহসৰ, দেশমাতৃকাৰ বাবে কৰা কষ্ট স্বীকাৰৰ জ্বলন্ত আদৰ্শ। তেখেত সকলৰ আদৰ্শক লৈয়ে ১৯৪২ চনৰ গণ-বিপ্লৱত ভাৰত ত্যাগ প্ৰস্তাৱৰ প্ৰতি সক্ৰিয় সহযোগ কৰি এই অঞ্চলৰ ৰাইজ কংগ্ৰেছৰ আন্দোলনত জপিয়াই পৰিছিল।

বিয়াল্লিছৰ আন্দোলনত কেন্দ্ৰ স্থল আছিল- বকোৰ কংগ্ৰেছ কাৰ্যালয় য'ত আজি তেলৰ ডিপু আছে। এই কাৰ্যালয়ৰ বাবে মাটি দিছিল স্বৰ্গীয়- পূৰ্ণ চন্দ্ৰ দাস দেৱে। ইয়াতে বকো বনগাঁও মৌজাৰ ৰাইজে শ্ৰমদান দি আৰ্থিক সাহায্য দি আটোম টোকাৰিকৈ খেৰি ঘৰ এটি সাঁজি লৈছিল। আৱশ্যকীয় চকী, মেজ, আলমিৰাও তৈয়াৰ কৰি লৈছিল। কাৰ্যালয়ৰ সমুখ ধুনীয়াকৈ বাহৰ ফেন্সিং দি ৰাখিছিল। কাৰ্যালয়ৰ সমুখত সদায় সগৌৰৱে ত্ৰিৰঙ্গ পতাকা উৰি আছিল। এখন সক্ৰিয় কংগ্ৰেছ সমিতি আছিল। এই কংগ্ৰেছ কমিটিৰ সভাপতি আছিল-স্বৰ্গীয় পূৰ্ণ চন্দ্ৰ দাস, সম্পাদক আছিল- স্বৰ্গীয় যোগেন্দ্ৰ নাথ চৌধুৰী, ধনভঁৰালী আছিল- স্বৰ্গীয় গোপাল চন্দ্ৰ ঠাকুৰীয়া আৰু সদস্যবৃন্দ আছিল- স্বৰ্গীয়সকল অমৃত মহাজন, খড়গপতি শৰ্মা প্ৰমুখ্যে আৰু বহুতো।

এই কংগ্ৰেছ কাৰ্যালয়তে বহি স্থানীয় নেতাসকলে সংকল্প লৈছিল- পূৰ্ণ স্বৰাজৰ। কম সময়ৰ ভিতৰতে গণ-আন্দোলনৰ ঢৌৱে বকো অঞ্চলৰ ৰাইজৰ অন্তৰত প্ৰবল আলোড়ণৰ সৃষ্টি কৰিছিল। এই আন্দোলনত বকো, বন-গাওঁ, লুকি, বেকেলী, পশ্চিম ছমৰীয়া মৌজাৰ জনগণে যোগদান কৰিছিল। গুৱাহাটী চহৰৰ পৰা আহিছিল, স্বৰ্গীয়সকল- গোপীনাথ বৰদলৈ, গৌৰীকান্ত তালুকদাৰ, লক্ষ্মীধৰ বৰা, ডাঃ ভুৱনেশ্বৰ বৰুৱা, ডাঃ হৰেকৃষ্ণ দাস, লীলাধৰ বৰুৱা, স্বৰ্গীয় হেমপ্ৰভা দাস, শ্ৰীমতী অমল প্ৰভা দাস, শ্ৰীভুৱনেশ্বৰ গোস্বামীঃএই সকল নেতাই বকোৰ বিভিন্ন গাঁৱত গৈ ওজস্বিনী বক্তৃতা দি এই অঞ্চলৰ ৰাইজক জগাই তুলিছিল। বৃটিছ চৰকাৰৰ প্ৰশাসন বিকল কৰাৰ উদ্দেশ্যে ইয়াৰ কিছু লোকে দলং, টেলিগ্ৰাফ্, তাঁৰ কটা, চৰকাৰী কাৰ্যালয় জ্বলোৱা আদি ধ্বংসমূলক কামো কৰিছিল। বকো বজাৰৰ পৰা ধেম্ৰাশাললৈ (লামপাৰা) টেলিগ্ৰাফ্ তাঁৰ কাটি দিছিল। শান্তিপুৰত থকা ফৰেষ্ট বিট অফিচ জ্বলাই দিয়া হৈছিল। ঠায়ে ঠায়ে দলং ভাঙি দিয়া হৈছিল, যাতে যান বাহন অচল হৈ পৰে।

সেই সময়ত অমৰ চাৰ ছাদুল্লা চাহাবৰ নেতৃত্বত মুছলীম লীগ মন্ত্ৰী সভাই কংগ্ৰেছ আন্দোলনৰ বিৰোধিতা কৰিছিল। বৃটিছ চৰকাৰৰ পক্ষত থাকি কংগ্ৰেছী আন্দোলন দমন কৰাৰ ব্যৱস্থা লৈছিল। বকোৰ কংগ্ৰেছ আন্দোলন দমন কৰাৰ বাবে ছাদুল্লা চৰকাৰে বকোত খালী কুজমান চৌধুৰীক, বকো থানাৰ

ভাৰপ্ৰাপ্ত বিষয়া কৰি ৰাখিছিল। আন্দোলন দমন কৰাৰ দৃঢ় পোন লৈ তেওঁ থানাত সশস্ত্ৰ বন্দুকধাৰী পুলিচ বাহিনী সদায় সজ্জিত কৰি ৰাখিছিল।

বকো থানাৰ সশস্ত্ৰ বাহিনীয়ে দিনে নিশাই সজাগ আৰু সক্ৰিয় হৈ আছিল; যাতে আন্দোলন ব্যাপক হ'ব নোৱাৰে। বৃটিছৰ চোৰাং চোৰা সকলে গাৱে-ভূঞে সোমাই পিয়াপি দি ফুৰিছিল, আন্দোলনৰ খা-খবৰ লৈ সুংসূত্ৰ বিচাৰি। সেই সময়ত গাঁৱৰ যি বিলাকৰ ব্যক্তিগত বন্দুক আছিল, সেই বন্দুক বিলাক পুলিচে জব্দ কৰি থানাত ৰাখিছিল। গাঁৱৰ চৰকাৰী গাওঁবুঢ়াসকলক দিনৰ বাতৰি দিনে দিবলৈ নিৰ্দেশ দিছিল। এনে অৱস্থাতো বকো অঞ্চলৰ স্বাধীনতা পিপাসু ৰাইজ নিৰ্ভীক ভাৱে স্বাধীনতা আন্দোলন কৰিম বা মৰিম এই ভাৱত লাগি আছিল। বকোৰ কংগ্ৰেছ অফিচৰ মুক্ত প্ৰাঙ্গণত ত্ৰিৰঙ্গ পতাকা বীৰ দৰ্পে উৰি আছিল। ইয়াকে কেন্দ্ৰ কৰি লৈয়ে বকো বন-গাওঁ, লুকী-বেকেলী, পশ্চিম ছমৰীয়া মৌজাৰ বিপ্লৱী ৰাইজে বকো আন্দোলন জ্বালামুখী কৰি তুলিছিল।

বাৰিষা বতৰ পৰা সত্বেও ১৯৪২ চনৰ বকো অঞ্চলৰ গাৱে-ভূঁঞে কংগ্ৰেছৰ আন্দোলনৰ ৰাজহুৱা সভা সমিতি পতাৰ ধুম উঠিছিল। জেঠ মাহৰ কোনোবা এদিন (তাৰিখ মনত নপৰে) গুৱাহাটীৰ পৰা বকোলৈ আহিছিল স্বৰ্গীয় গৌৰী কান্ত তালুকদাৰ দেৱ। বৰ্তমানে বকো মজলীয়া স্কুল থকা ঠাইতে এখন ৰাজহুৱা সভা বহিছিল। এই সভাত তেখেতে ওজস্বিনী ভাষাৰে বক্তৃতা দিছিল। তালুকদাৰ ডাঙৰীয়াই আমাৰ দেশৰ পৰা বৃটিছক দেশৰ শাসনভাৰ দেশবাসীৰ হাতত দি গুচি যাবলৈ যাতে বাধ্য হয় তাৰ বাবে তীব্ৰ আন্দোলন কৰিবলৈ বকোৰ ৰাইজক আহ্বান জনাইছিল। সেই সময়ত শ্ৰীনবীন চন্দ্ৰ তলিতা দেৱ চহৰৰ পৰা আহি বকোত কংগ্ৰেছৰ কামত লাগি আছিল। তেখেতে বকো অঞ্চলৰ বিভিন্ন ঠাইত ঘূৰি ফুৰি সভা সমিতি পাতি আন্দোলনৰ অগ্নিবাণী ৰাইজৰ মাজত প্ৰচাৰ কৰি ফুৰিছিল। তেখেতৰ সঙ্গ পাই, তেখেতৰ স্বাধীনতাৰ আন্দোলনৰ বক্তৃতা শুনি লিখক আৰু শ্ৰীবলো ৰাম বড়ো উচ্চ শিক্ষাৰ মোহ পৰিত্যাগ কৰি আন্দোলনত জপিয়াই পৰে।

আহাৰ মাহ ; ৰায়পাৰা কেচেখুন্দা (বৰ্তমান ৰায়পাৰা বুনিয়াদী বিদ্যালয়) এল, পি, স্কুল প্ৰাঙ্গণত এখন ৰাজহুৱা সভা বহিছিল। সভাৰ একাষত বহি শ্ৰীমতী অমল প্ৰভা বাইদেৱে যঁতৰত সূতা কাটি আছিল। শ্ৰীনবীন কলিতা দেৱে উদীপ্ত ভাষাৰে স্বাধীনতাৰ বাণী ৰাইজক শুনাইছিল। ইয়াৰ পাছতে অমল বাইদেৱে সৌম্যভাৱে থিয় দিলে, বক্তৃতা দিবলৈ। বাইদেউৰ কোমল কণ্ঠৰ পৰা ওলাইছিল অগ্নি বৰষা বাণী। তেখেতৰ বক্তৃতা শুনি সভাত উপস্থিত থকা নৰ-নাৰী উদ্বুদ্ধ হৈ পৰিছিল। আমিও তেখেতৰ বাণীত অতি মুগ্ধ হৈছিলো আৰু অনুপ্ৰাণিত হৈছিলোঁ। স্বাধীনতাৰ আন্দোলনত জপিয়াই পৰাৰ প্ৰবল ইচ্ছা আমাৰ হ'ল। সেইদিনাই শ্ৰীনবীন কলিতা দেৱৰ লগত আমাৰ ভালদৰে পৰিচয় হ'ল।

ইয়াৰ কিছুদিন পিচতে বকো মৌজাৰ মহিমা গোসাঁইঘৰত স্বাধীনতাৰ আন্দোলনৰ সভা পুনঃ বহিছিল। এই সভাত উপস্থিত ৰাইজে মুকলি ভাৱেৰে আন্দোলনৰ প্ৰতি সহযোগ দিয়াৰ মতামত দিছিল।

এই সভাত শ্ৰীকলিতা আৰু স্বৰ্গীয় মথুৰা নাথ লহকৰ দেৱে বক্তৃতা দিছিল। আমাৰ কাৰণে লহকৰ আছিল সম্পূৰ্ণ নতুন মানুহ। তেখেত সেই সময়ত নিজ জন্ম ঠাই নগাঁও এৰি বকো অঞ্চলৰ পিছ পৰা জনজাতি অঞ্চলত সেৱা কাম কৰি আহিছিল। তেখেতৰ সাজ-পাৰ আছিল তেনেই সাধাৰণ। মানুহজন দেখিবলৈ গাঁৱলীয়া চহা হোজা লোক যেন লাগিছিল। কিন্তু কথা বিলাক আছিল অতি প্ৰাঞ্জল আৰু পাণ্ডিত্য পূৰ্ণ। তেতিয়াৰে পৰা বকো অঞ্চলৰ বিভিন্ন ঠাইত সভা-সমিতি পাতি শ্ৰীকলিতাদেৱে বক্তৃতা দি ফুৰিছিল আৰু তেখেতৰ লগত লিখক আৰু শ্ৰীবলো ৰাম বড়ো প্ৰায়ে আছিল। শ্ৰীকলিতাৰ লগত ফুৰিছিল আগছিয়া-নধীয়াপাৰাৰ স্বৰ্গীয় টোকন ৰাভা (বুঢ়া)। কলিতা দেৱ আৰু আমি যাতে চাহ টুপি খোৱাত একো অসুবিধাত নপৰো তাৰ বাবে টোকন বুঢ়াই বাহৰ চুঙা এটিত গাখীৰ ভৰ্ত্তি কৰি লৈ ফুৰিছিল। বুঢ়া আতাজনে নিজৰ আৰু আমাৰ বাবে তামোল-পাণৰ টোপোলা এটিও লৈ ফুৰিছিল।

শ্ৰীকলিতা দেৱৰ অবৰ্তমানতো শ্ৰীবলোৰাম বড়ো আৰু মই দুয়োজনে বনগাঁও, বগাই মৌজাৰ বিভিন্ন গাঁৱত গৈ সভা পাতি স্বাধীনতাৰ বাণী শুনাইছিলোঁ। আমাৰ সৈতে কায়াৰ লগত ছাঁয়া ফুৰাদি ফুৰিছিল উক্ত টোকন বুঢ়া আৰু চাতাবাৰী গাঁৱৰ নিবাসী শ্ৰীলচন দাস (বৰ্তমান মুক্তি যোদ্ধা হিচাবে পেন্সনপ্ৰাপ্ত)। এই দুইজন বুঢ়া লোকক লগত লৈ বনগাওঁ মৌজাৰ মাৰেঘৰত, কুৰশালাৰ এল.পি. স্কুলত, চাতাবাৰী গাঁৱৰ গোসাঁই ঘৰত, বগাই

মৌজা খেলৰ গোসাঁইঘৰত, আগছিয়া-নধীয়াপাৰা গাঁৱত, গোপীনাথ গোসাঁই ঘৰত, শান্তিপুৰ গাঁৱত সভা পতা হৈছিল। এই সভা বিলাকত আমি বৃটিছ চৰকাৰৰ বিৰুদ্ধে মুক্ত কণ্ঠে বিদ্ৰোহ কৰাৰ কথা ঘোষণা কৰিছিলোঁ। ৰাইজৰ পৰা আমি পূৰ্ণ সহযোগ পাইছিলোঁ।

সেই দৰে লুকি-বেকেলী মৌজাত স্বৰ্গীয় মথুৰা লহকৰ দেৱে নেতৃত্ব দিছিল। তেখেতৰ লগত আছিল স্বৰ্গীয় খতিয়া মহাজন (বন্দাপাৰা নিবাসী), স্বৰ্গীয় সকল নন্দ ৰাভা, চুৰাৰাম মহাজন (গামেৰীমূৰা নিবাসী), তিখু দাস (শাখাতি গাঁৱৰ) বাহি ৰাম ঠাকুৰীয়া, শ্ৰীপীতাম্বৰ দাস (বন্দাপাৰা গাওঁৰ), প্ৰমুখ্যে আৰু বহুজন।

এই লুকি-বেকেলী মৌজা দুখনৰ ৰাইজ এনেদৰে স্বাধীনতাৰ আন্দোলনত আন্দোলিত হৈছিল যে আন্দোলনৰ বিৰুদ্ধাচৰণ কৰা সকলক কঠোৰ হাতেৰে শাস্তি দিয়া হৈছিল। স্বৰ্গীয় মথুৰা লহকৰ নেতৃত্বত বন্দাপাৰাত এখন ৰাজহুৱা কাৰাগাৰ (জেইল) সজা হৈছিল। আন্দোলনৰ বিৰোধিতা কৰা ব্যক্তিমাত্ৰকে ধৰি আনি এই কাৰাগাৰত কাৰাৰুদ্ধ কৰি ৰখা হৈছিল।

বিচাৰক আছিল স্বয়ং মথুৰা নাথ লহকৰ দেৱ। জেলৰ জেইলাৰ আছিল- শ্ৰীপীতাম্বৰ দাস। কাৰাগাৰ ৰক্ষী আছিল-ঁ নন্দ ৰাম ৰাভা ওৰফে লান্দুৰা ৰাভা। দোষীসকলক বিচাৰ কৰিছিল- স্বৰ্গীয় মথুৰা নাথ লহকৰ। ৰাইজে পতা এই কাৰাগাৰত কেইবাজনো ৰাইজদ্ৰোহী, দেশদ্ৰোহী বৃটিছৰ কিনা গোলামক কাৰাৰুদ্ধ কৰি ৰখা হৈছিল।

ইতিমধ্যে ভাৰতীয় কংগ্ৰেছ দলে গণ-আন্দোলনৰ ঘোষণা কৰাৰ লগে লগে আৰু বিশেষকৈ সৰ্ব্বভাৰতীয় জাতীয় কংগ্ৰেছ নেতৃত্ববৰ্গক বোম্বাই আদি ঠাইত গ্ৰেপ্তাৰ কৰাৰ লগে লগে আমাৰ অসমতো স্বৰ্গীয়সকল- লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ডাঃ ভুৱনেশ্বৰ বৰুৱা, গৌৰীকান্ত তালুকদাৰ, কামেশ্বৰ দাস, হৰেশ্বৰ গোস্বামী, বিষ্ণু মেধী, জগদীশ চন্দ্ৰ মেধী প্ৰমুখ্যে অসম কংগ্ৰেছৰ নেতাসকলক গ্ৰেপ্তাৰ কৰে। আমাৰ বকোতো ছেপ্তেশ্বৰ মাহত বকো কংগ্ৰেছ কমিটিৰ সদস্য স্বৰ্গীয় পূৰ্ণ চন্দ্ৰ দাস, যোগেন্দ্ৰ নাথ চৌধুৰী, খড়গপতি শৰ্মা, অমৃত মহাজন, গোপাল চন্দ্ৰ ঠাকুৰীয়াক গ্ৰেপ্তাৰ কৰি গুৱাহাটী জেললৈ পঠায়। সেই সকলৰ ভিতৰত শ্ৰীৰবীন দাস,ঁ অহিত চন্দ্ৰ গাওঁবুঢ়া, শ্ৰীনবীন চন্দ্ৰ কলিতাক গ্ৰেপ্তাৰ কৰি জেললৈ পঠায়। বকোৰ স্থানীয় কংগ্ৰেছ নেতাসকলক গ্ৰেপ্তাৰ কৰি জেললৈ পঠোৱাৰ পিছত কংগ্ৰেছ আন্দোলনৰ নেতৃত্ব লোৱা লৈ ৰাইজৰ মাজত গুণাগঠা লাগিছিল। নেতৃবৃন্দৰ অবৰ্তমানতো বকো অঞ্চলত গণ-আন্দোলন স্বতঃফূৰ্ত্তভাৱে অব্যাহত হৈ আছিল। দলে দলে কংগ্ৰেছৰ ভলণ্টিয়াৰ স্বেচ্ছায় ভৰ্ত্তি হৈ আন্দোলন চলাই লৈ গৈছিল। বকোৰ এখন ৰাজহুৱা সভাত কংগ্ৰেছৰ চেক্ৰেটাৰী হোৱাৰ বাবে সভাত আহ্বান অহাত এই সভাত উপস্থিত থকা সেই সময়ত কাৰো চকুত নপৰা টেপছিয়া গাঁৱৰ স্বৰ্গীয় পূৰ্ণ কুমাৰে স্বেচ্ছায় চেক্ৰেটাৰী হোৱাৰ বাবে আগ বাঢ়ি আহিছিল। এইদৰে বকোত কংগ্ৰেছৰ আন্দোলন অবিৰাম গতিত চলি থাকিল। লিখক আৰু শ্ৰীবলো ৰাম বড়োও আশা-নিৰাশাৰ মাজত আন্দোলনৰ কামত লাগি থাকিল।

এনেতে ৯/৯/৪২ তাৰিখৰ শনিবাৰ দিনটো আহিল। ইয়াৰ আগ দিনাখন শুক্ৰবাৰে শুৱালকুছিৰ শ্ৰীকামিনী দাস আৰু শ্ৰীগোলক দেউৰী আন্দোলনৰ কামত বকোলৈ আহি বকো কংগ্ৰেছ কাৰ্যালয়ত আছিল। ইয়াৰ একদিন আগতে শ্ৰীঅমল প্ৰভা দাস বাইদেউক এই কংগ্ৰেছ অফিচৰ পৰা ৰাতি তেখেতৰ মাক স্বৰ্গীয় হেম প্ৰভা দাসে আতঁৰাই লৈ গৈছিল। কাৰণ তেখেতক বকোতে গ্ৰেপ্তাৰ কৰাৰ কথা আছিল।

উল্লেখিত উক্ত শনিবাৰে ৰাতিপুৱা ৮ টা মান বজাত মই কংগ্ৰেছ কাৰ্যালয়ত উপস্থিত হওঁ গৈ। তাত গৈ আহি থকা শ্ৰীকামিনী দাস আৰু শ্ৰীগোলক দেউৰীৰ লগত পৰিচয় হৈ কথা বতৰা হওঁ। সেই দিনা কংগ্ৰেছৰ ভলণ্টিয়াৰ ভৰ্ত্তিকৰণ কাম চলি আছিল। এনেতে বকো আৰক্ষী থানাৰ পৰা এখন ট্ৰাকত সশস্ত্ৰ গোৰ্খা বাহিনী এটা লৈ এজন ইংৰাজ চাহাব আগ বাঢ়ি আহিল। লগত আছিল থানাৰ ভাৰপ্ৰাপ্ত বিষয়া খালি কুজ্জমান চৌধুৰী। ট্ৰাক খন আহি বকো কংগ্ৰেছ কাৰ্যালয়ৰ সমুখ পোৱাৰ লগে লগে গাড়ীখন ৰখা হ'ল আৰু গাড়ীৰ পৰা নামি পৰিল গোৰ্খা সৈন্য বাহিনী, কমাণ্ডাৰ দাৰোগা শ্ৰীচৌধুৰী।

সৈন্য বাহিনীয়ে হাতত বন্দুক লৈ কংগ্ৰেছ অফিচৰ পিনে বন্দুক টোৱলে। বন্দুকৰ ফাকা আৱাজ দিলে। লগে লগে কংগ্ৰেছ কাৰ্যালয়ৰ চৌহদত প্ৰবেশ কৰি মাৰ্চ কৰি আগ বাঢ়ি আহিল। তাকে দেখি কংগ্ৰেছ অফিচত ভৰ্ত্তি হোৱা লোকবিলাক ভয় খাই কংগ্ৰেছ অফিচৰ পিচ দুৱাৰেদি ওলাই আঁতৰি গ'ল গৈ।